22/11/89

ASSEMBLY LIBRARY DISPUR

# Assam Legislative Assembly Debates

## Official Report

**FOURTEEN SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE FIFTH GENERAL ELECTION UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA**

## Budget Session
## Vol. XIV

## No 14

**THE 26 TH FEBRUARY, 1976**

1989

PRINTED AT R. D. PRINTERS, DHIRENPARA, GUWAHATI-25

PROCEEDING OF THE FOURTEENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE FIFTH GENERAL ELECTION UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## THE HOUSE MET IN THE ASSEMBLY CHAMBER, DISPUR, GAUHATI

on Thursday the 26 th February 1976.

ASSAM LEGISLATIVE ASSEMBLY LIBRARY DISPUR.

**WITH**

The Speaker in the Chair, 14 ( Fourteen ) Minister, 5 ( Five Minister of State, 1 ( One ) Deputy Minister and 64 ( Sixt four ) Members, Present.

—

EBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1976

# Budget Session

VOLUME—XIV

NO—14

Dated 26 th February, 1976

CONTENTS :


| | Pages |
|---|---|
| Question ......... ......... ......... ...... | 1 |
| Matter under Rule 301 ... ......... ...... | 40 |
| Extension of time for Submission of the Report of the Committee of Privilege ......... ...... | 42 |
| Motion for Election of Members to Gauhati University court ......... ......... ...... | 43 |
| Report of the Rules Committee ...... ...... | 45 |
| The Assam Rural Indebtedness Relief (Amendment), Bill 1976 ......... ......... ......... | 46 |
| Discussion under Rule 49 ......... ...... | 48 |
| Adjournment ......... ......... ......... | 55 |


—×—

STARRED

# QUESTIONS AND ANSWERS

Date : 26th February, 1976

## বিঃ নৈশ বাছ চলোৱাৰ ব্যৱস্থা

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে ঃ

*১৫৯। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে-

(ক) ৰাজ্যখনত পৰিবহন নিগম গঠন হোৱাৰ পাচতে ৰাজ্যখনৰ কেইবা-টাও উপাৰ্জনশীল পথত নৈশ বাছ চলোৱাৰ ব্যৱস্থা কৰাৰ প্ৰস্তাৱ এটা নিগমে গ্ৰহণ কৰিছিল নেকি ?

(খ) যদি কৰিছিল, তেন্তে কি ব্যৱস্থা লোৱা হল ?

(গ) যদি এনে প্ৰস্তাৱ গ্ৰহণ কৰা হোৱা নাই তেন্তে এনে এটা ব্যৱস্থা কৰি ৰাজ্যখনৰ কল্যাণ সাধা ব্যৱস্থা চৰকাৰে লবনে ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (পৰিবহন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১৫৯। (ক)-পৰিবহন নিগম গঠন হোৱাৰ পাচতে পৰিবহনৰ ৰাষ্ট্ৰীয়কৃত পথ এটাত নৈশ বাছ চলাচলৰ বিবেচনা কৰি নিগমৰ বৰ্ডত অনুমোদন দিয়াৰ সাপেক্ষে প্ৰস্তাৱটো পৰীক্ষা কৰি সিদ্ধান্ত ললে ভাৰতৰ আন আন পৰিবহন নিগমৰ পৰা তথ্যপাতি সংগ্ৰহ কৰি লাগে। সেই মতে তথ্যপাতি সংগ্ৰহ কৰা হৈছিল।

(খ) ওপৰোক্ত তথ্যপাতি বিলাক নিগমৰ বৰ্ডৰ বিবেচনাধীন হৈ আছে !

(গ) -সময় অনুযায়ী উপযুক্ত ব্যৱস্থা লোৱা হব।

শ্রীসোণেশ্বৰ বৰা :— অধ্যক্ষ মহোদয়, এই ৰিপৰ্টবিলাক সংগ্ৰহ কৰাৰ কাম কেতিয়া শেষ হ'ল ?

শ্রীইন্দ্রেশ্বৰ খাউণ্ড (মন্ত্রী) :— অধ্যক্ষ মহোদয়, এই ৰিপৰ্টৰিলাক ১৯৭০ চনতে আহিল।

শ্রীসোণেশ্বৰ বৰা :— অধ্যক্ষ মহোদয়, কোন কোন প্রদেশৰ পৰা এই তথ্য পাতিবিলাক আনিছিল ?

শ্রীইন্দ্রেশ্বৰ খাউণ্ড :— যিবিলাক ঠাইত ষ্টেট ট্রেন্সপৰ্টৰ নৈশ চাৰ্ভিচ চলিছে State Transport Services Orissa, Andhra Pradesh State Road Transport Corporation, Mysore State Road Transport Corp' Gujrat State Road Transport Corp., Maharashtra State Road Transport Corporation.

শ্রীমানবেন্দ্র শৰ্ম্মা :— অধ্যক্ষ মহোদয় এইবিলাকৰ পৰা কি ৰিপৰ্ট সংগ্ৰহ কৰিবলৈ বিচৰা হৈছে ?

শ্রীইন্দ্রেশ্বৰ খাউণ্ড (মন্ত্রী) :— কোন কোন ঠাইত নৈশ বাছ চলে তাত হোৱা লাভালাভ আৰু তেওঁলোকে কি স্পীদত চলাই ইত্যাদি।

শ্রীকমাল চন্দ্ৰ পেগু :— অধ্যক্ষ মহোদয়, আমাৰ ইয়াত যদি বাছ থাকে তেন্তে চলোৱাত কি অসুবিধা হয় ?

শ্রীইন্দ্রেশ্বৰ খাউণ্ড (মন্ত্রী) :— অধ্যক্ষ মহোদয়, দিনত চলোৱা আৰু ৰাতি চলোৱাৰ মাজত এক বিশেষ পাৰ্থক্য আছে। ৰাতি চলাবলৈ হলে আমাৰ ইয়াত ৰাতি অহা যাত্ৰী সকলৰ বহা মেলাৰ সুবিধা-অসুবিধাৰ কথা চাব লাগিব, ড্ৰাইভাৰ কন্দাক্টৰ বদলি কৰিব লাগিব আৰু মেকানিকৰ ব্যৱস্থাও কৰি দিব লাগিব। এই সকলোবিলাক কথা ভালদৰে চাই চিতিহে কৰিব পৰা হব।

শ্ৰীসোণেশ্বৰ বৰা :— অধ্যক্ষ মহোদয়, আমাৰ ইয়াত নৈশ বাছ চলোৱা নাই আৰু যাত্ৰী সকল অহা যোৱাৰ কোনো স্থবিধা কৰা নাই তথাপি কিছুমান ডিজেল গাড়ী আৰু লিলেনত যাত্ৰী সকল ৰাতি অহা যোৱা কৰে আৰু ইয়াৰ বাবে যি ভাৰা পোৱা হয়, সেইবোৰ গাড়ী মালিক নাইবা ড্ৰাইভাৰেহে পায় সেই কথা মন্ত্ৰী মহোদয়ে জানে নে ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড ( মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, কেতিয়াবা কেতিয়াব আহিব পাৰে ।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী :— অধ্যক্ষ মহোদয়, নৈশ যাত্ৰী সকলৰ অহা যোৱাৰ বাবে যি এমুউজমেণ্টৰ কথা মন্ত্ৰী ডাঙৰীয়াই কলে সেই উত্তৰ সাপেক্ষত মই মন্ত্ৰী মহোদয়ক সুধিব খুজিছো যে দিনত যিবিলাক যাত্ৰী অহা যোৱা কৰে তেওঁলোকৰ বাবে চৰকাৰৰ তৰফৰ পৰা হোটেল আদিৰ ব্যৱস্থা কৰা হৈছে নে কি আৰু মেকানিকৰ ব্যৱস্থা আছে নে কি ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড ( মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, ষ্টেচন বিলাকত হোটেল আদি আছেই আৰু মেকানিকো থাকে !

Shri Jagannath Sinha :— মহোদয়, মন্ত্ৰী মহোদয় বলেছেন যে রাত্রি-বেলা যদি Bus চালাতে হয় তাহলে যাত্রীদের অনেক সুযোগ সুবিধা করে দিতে হবে, কিন্তু, গৌহাটী-শিলচর ও শিলং-শিলচর রাস্তায় সচরা-চরই যাত্রী রাত ১২টা, ১টা, ২টা, পর্যন্ত ভ্রমণ করে, তাদের জন্য কোন বিশেষ সুবিধা দেওয়ার ব্যব স্থা করা হয়েছে কি ? যদি হয়নি তবে করবেন কি ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড ( মন্ত্ৰী ) অধ্যক্ষ মহোদয়, সেইখন দিনত যোৱা বাছ কেতিয়াবা হয়তো কিবা বিজুতিত ৰাতিও হব পাৰে ।

শ্ৰীকন্দৰ্প কুমাৰ দাস :— অধ্যক্ষ মহোদয়, নৈশ বাছৰ ক্ষেত্ৰত মাদ্ৰাজত যি নৈশ বাছ চলে তাত খোৱা বোৱাৰ ব্যৱস্থা আছে, আমাৰ ইয়াত নৈশ বাছ চলিলে তেনেকুৱা ব্যৱস্থা কৰা হব নে কি ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড ( মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, আমাৰ ইয়াত নৈশ বাছৰ সিদ্ধান্ত এতিয়াও হোৱা নাই।

শ্ৰীমানবেন্দ্ৰ শৰ্ম্মা :— অধ্যক্ষ মহোদয়, এটা পৰিপূৰক প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে কলে যে যি বিলাক ঠাইত নৈশ বাছ চলে তাৰ পৰা কি স্পীদত চলাই আৰু লাভা লাভ কি এই সম্পৰ্কে খবৰ বিচৰা হৈছে। আমাৰ ইয়াতো সেই পদ্ধতিৰে চলোৱাৰ কথা চৰকাৰে চিন্তা কৰিছে নে কি ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড ( মন্ত্ৰী ) :—অধ্যক্ষ মহোদয়, সেইবিলাক ঠাইৰ ৰাস্তাৰ দৰে আমাৰ ৰাস্তাবিলাক নহয়, কাজেই একে ধৰণেৰে এই কথাবিলাক বিবেচনা কৰিব পৰা নহব আৰু আমাৰ ৰাস্তাৰ অৱস্থা বুজিহে ব্যৱস্থা কৰিব লাগিব।

শ্ৰীসোণেশ্বৰ বৰা :— অধ্যক্ষ মহোদয়. এই তথ্যপাতিবিলাক পৰীক্ষা কৰি থকা হৈছে, এই পৰীক্ষাবিলাক কেতিয়া শেষ হব আৰু সিদ্ধান্ত কেতিয়া লোৱা হব ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড ( মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, পৰিবহন নিগমে সেই বিষয়ে চিন্তা কৰি আছে।

## Re : Reservation of Seats for Tribal Students

Shri MAL CHANDRA PEGU asked :

★160. Will the Chief Minister be pleased to state—

(a) Whether Government propose to make reservation for the scheduled Tribes students for admission in Government Schools and Colleges ?

(b) If so, from when it will be given effect to ?

Shrimati ANWARA TAIMUR (State Minister) replied :

160. (a)—There is no such proposal.

(b) —Does not arise.

Shri MAL CHANDRA PEGU :— When Reservation has been made in the matter of appointment for the Scheduled Caste and Scheduled Tribes, why for admission into Government Schools and Colleges this provision has not been made ?

Shrimati SYEDA ANWARA TAIMUR (Minister) :— As regards Schools it may be mentioned that Government Schools are there in all District headquarters and most of the Sub-divisional headquarters including areas mostly inhabited by hill tribes and plain tribes. It is, therefore, not considered necessary to make any reservation for them. Regarding Colleges formerly there was Cotton College and in 1950 reservation was made for 11 hill tribes and plain tribes and now Diphu and Haflong Colleges are located in hill areas and after the establishment of Diphu College and Haflong College most of the students are getting admission.

Shri MAL CHANDRA PEGU :— Sir, I could not follow the answer. Will the Minister be pleased to repeat the first portion of the answer ?

Shrimati SYEDA ANWARA TAIMUR (Minister) :— As regards Schools it may be mentioned that Government Schools are there in all District headquarters and most of the Sub-divisional headquarters including areas mostly inhabited by hill tribes and plain tribes. It is, therefore, not considered necessary to make any reservation for them.

Shri MAL CHANDRA PEGU :— Sir, how Scheduled tribes and scheduled caste boys living in the plains district of Assam secure admission in Government Schools and Colleges ?

Shrimati SYEDA ANWARA TAIMUR (Minister) :— In usual manner they are getting admission.

Shri MAL CHANDRA PEGU :— Sir, whether Government knows it or not that the scheduled caste and seheduled tribes boys seeking admission into the Government Schools especially in Jorhat and Dibrugarh do not get seat. Whether for them a special provision will be made ?

Shrimati SYEDA ANWARA TAIMUR (Minister) :— We Will look into it.

Shri JAGANNATH SINHA :— Hon,bls Minister has stated that in most of the places inhabited by hill tribes and plain tribes there are Government Schools and there is no necessity of making any reservation for them. But may I know from the Minister that in Medical Colleges situated at Gauhati, Dibrugarh and Silchar, whether reservation for scheduled tribes and scheduled caste will be made there ?

Shrimati SYEDA ANWARA TAIMUR (Minister) :— Yes, there is provision.

Shri MANABAENDRA SARMA :— In reply to question (a) Minister replied 'No'. May I know from the Minister whether there is reservation for scheduled tribes and scheduled caste in the Engineering Colleges and Medical Colleges ?

Shrimati SYEDA ANWARA TIMUR (Minister) :— Yes there is.

## বিঃ চাপানালাত জলসিঞ্চন আঁচনি

শ্ৰীকেহোৰাম হাজৰিকাই সুধিছে :

★১৬১। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) নগাওঁ জিলাৰ চাপানালাত এখন জলসিঞ্চন আঁচনি থকাৰ কথা চৰকাৰে জানেনে ?

(খ) যদি জানে এই আঁচনিৰে কিমান বিঘা মটিত পানী যোগান ধৰা হয় ?

(গ) এই কথা চৰকাৰে জানেনে যে এই আঁচনিৰে খেতিৰ মাটিত সমুলি পানী যোগান ধৰিব পৰা হোৱা নাই ?

(ঘ) যদি জানে, তেন্তে এই আঁচনিখনৰ উন্নতিৰ কিবা আঁচনি আছেনে ?

শ্ৰীদেবেন্দ্ৰনাথ বৰা (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

১৬১। (ক)– হয়, জানে ।

(খ)- এই আঁচনিৰে খাৰিফ বতৰত প্ৰায় ৫০০।৬০০ বিঘা মাটিত পানী যোগান ধৰা হয়।

(গ)- এই আঁচনিয়ে সম্পূৰ্ণভাৱে পৰিকল্পিত খেতিৰ মাটিত পানী যোগান ধৰিব পৰা নাই।

(ঘ)- হয়, এই আঁচনিক পুনৰ গঢ় দিবৰ বাবে জৰীপৰ কাম হাতত লোৱা হৈছে।

শ্ৰীকেহোৰাম হাজৰিকা ঃ— মন্ত্ৰী মহোদয়ে জনাবনে আঁচনিখন কেতিয়া কাৰ্য্যকৰী কৰা হল। কাৰ্য্যকৰী কৰাৰ সময়ত কিমান বিঘা মাটিত পানী যোগান ধৰাৰ কথা আছিল আৰু সেই মতে পানী যোগান ধৰা হৈছেনে ?

শ্ৰীদেবেন্দ্ৰ নাথ বৰা (মন্ত্ৰী)ঃ— ১৯৫৯-৬০ চনত এই আঁচনিৰ কাম আৰম্ভ কৰা হৈছিল আৰু ১৯৬৫-৬৬ চনত ই শেষ হ'ল। সেই সময়ত এই আঁচনি মতে ৬ হাজাৰ ৩ শ একৰ মাটিত পানী যোগান ধৰাৰ কথা আছিল। কিন্তু পেৰিনিয়েল চোৰ্চ কম হোৱাৰ কাৰণে সেই পৰিমানৰ পানী যোগান ধৰিব পৰা নাই।

শ্ৰীকেহোৰাম হাজৰিকা ঃ— এই আঁচনিত ৬ হাজাৰ একৰ মাটিত পানী যোগানৰ কথা আছিল যদিও বৰ্তমান ৫-৬ শ বিঘা মাটিতহে পানী যোগান ধৰিছে। এই পানী কোন কোন মাহত যোগান ধৰা হয় ?

শ্ৰীদেবেন্দ্ৰ নাথ বৰা (মন্ত্ৰী) ঃ— যি সময়ত শালি খেতি কৰা হয় অৰ্থাৎ শাওন, ভাদ মাহত।

শ্ৰীমানবেন্দ্ৰ শৰ্মা ঃ— এই পৰিকল্পনা হাতত লওতে পেৰিনিয়েল চোৰ্চৰ কথা বিবেচনা কৰা নাছিল নেকি ?

শ্ৰীদেবেন্দ্ৰ নাথ বৰা (মন্ত্ৰী) ঃ— বিবেচনা কৰা হৈছিল। কিন্তু পেৰিনিয়েল চোৰ্চৰ কথা যি মতে ভবা হৈছিল সেই মতে পানী পোৱা নহ'ল। সেই কাৰণে ৰি-মডেল কৰি চাপানালাৰ পৰা পানী অনাৰ ব্যৱস্থা কৰা হৈছে।

শ্ৰীপিতচিং কোঁৱৰ ঃ— এই আচনিত কিমান টকা খৰচ কৰিলে আৰু ৰি-মডেল কৰোতে কিমান খৰচ হ'ব ?

শ্ৰীদেবেন্দ্ৰ নাথ বৰা (মন্ত্ৰী) :— এই আচনিত ৭ লাখ ৯৯ হাজাৰ ৭৮৷ টকা খৰচ হ'ল। বৰ্তমান নগাওঁ ডিভিজনে জৰিপ কাৰ্য্য চলাই আছে তাৰ হিচাপ এতিয়াও দাখিল কৰা নাই।

শ্ৰীগিয়াচুদ্দিন আহমেদ :— যি সময়ত অনুসন্ধান কৰা হৈছিল সেই সময়ত যথেষ্ট পানী হব বুলি ভাবিছিল, কিন্তু পিচত নাপালে। মই জানিব পাৰোনে অনুসন্ধানৰ সময়ত কিমান টকা খৰচ হৈছিল আৰু কিমান সময় লাগিছিল ?

শ্ৰীদেবেন্দ্ৰ নাথ বৰা (মন্ত্ৰী) :— সেই হিচাপ বৰ্তমান মোৰ হাতত নাই।

শ্ৰীগিয়াচুদ্দিন আহমেদ :— কি ভিত্তিৰ ওপৰত এই আচনি লৈছিল ?

শ্ৰীদেবেন্দ্ৰ নাথ বৰা (মন্ত্ৰী) :— সেই সময়ত ভবা হৈছিল যে পেৰিনিয়েল চোৰ্চৰ পৰা পানী পোৱা হব। কিন্তু কোৰ্চ সলনি হোৱাত পানীৰ অভাৱ হ'ল। সেই কাৰণে ৰি-মডেল কৰাৰ ব্যৱস্থা কৰা হৈছে।

শ্ৰীগিয়াচুদ্দিন আহমেদ :— কিমান দিনৰ পিচত কোৰ্চ সলনি হ'ল জনাবনে ?

শ্ৰীদেবেন্দ্ৰ নাথ বৰা (মন্ত্ৰী) :— বৰ্তমান সেই খবৰ মোৰ হাতত নাই।

শ্ৰীপিতচিং কোঁৱৰ :— কোন নদীৰ লগত যোগাযোগ কৰিব খুজিছে ?

শ্ৰীদেবেন্দ্ৰ নাথ বৰা (মন্ত্ৰী) :— জিয়াজুৰি আৰু বালি নদীৰ লগত চাপানালাৰ পানী পেলোৱা ব্যৱস্থা কৰা হৈছে।

শ্ৰীসোনেশ্বৰ বৰা :— এই আচনিৰ নাম চাপানালা আৰু আচনি খন ইয়াতে হব লাগিছিল। কিন্তু অভিজন্তাৰ চক্ৰান্তত হে ঠাই সলনি হল। এই কথা সচানে ?

শ্ৰীদেবেন্দ্ৰ নাথ বৰা (মন্ত্ৰী) :— সেইটো নহয়।

শ্ৰীসোনেশ্বৰ বৰা :— এই আচনিয়ে ৬০ ভাগ কাম দিব পৰা নাই। বাকী ৪০ ভাগো পানী থকা সময়তহে দিব পাৰে। ইমান তাৰতম্য কেনেকৈ হল জনাবনে ?

শ্ৰীদেবেন্দ্ৰ নাথ বৰা (মন্ত্ৰী) :— সেই তথ্যপাতি মোৰ হাতত নাই।

শ্ৰীকেহোৰাম হাজৰিকা :— চাপানালা নদী খন চম্পাৱতী কুণ্ডৰ পৰা ওলাইছে। এতিয়া তাতে ৰিজাৰ্ভাৰ কৰি জলসিঞ্চন কৰাৰ কথা ভাবিছে। এই কথা হয়নে ? যদি হয়, কেতিয়া ৰি-মডেলৰ কাম আৰম্ভ কৰিব ?

শ্ৰীদেবেন্দ্ৰ নাথ বৰা (মন্ত্ৰী) :— মাননীয় সদস্যই যিদৰে কৈছে ঠিক সেই দৰেই ৰিজাৰ্ভাৰ কৰি পানী যোগান ধৰা হব। ইতিমধ্যে জৰিপ কাৰ্য্য কৰা হৈছে।

শ্ৰীগিয়াচুদ্দিন আহমেদ :— এই কথা বিশেষ ভাবে প্ৰমাণ হল যে অনুসন্ধান কাৰ্য্যত যথেষ্ট ত্ৰুটি থাকিল। যি জন বিশেষজ্ঞই এই অনুসন্ধান চলাইছিল তেওঁৰ যোগ্যতা সম্বন্ধে অনুসন্ধান কৰিবনে ?

Shri Md. Umaruddin ( Minister, Irrigation ) :— Sir, the point is that during the First Five-Year and the Second Five-Year plans we took up certain projects. At that time we did not have adequate expertise in the department Therefore these difficulties have arisen not only to this particular scheme but to other old schemes which were taken up earlier.

Shri Jagannath Sinha :— Sir, the Hon. Minister has stated that the department was short of expertise when this project was taken up. So am I to take it that this project was taken up without expertise ?

Sri Md. Umaruddin ( Minister, Irrigation ) :— Whatever know how was available at that time was used. But sinc then we have developed it and our officers are now doin better work.

শ্ৰীপিটচিং কোঁৱৰ :— চাপানালাতহে পানীৰ অভাব হৈছে কিন্তু চাচনলা যথেষ্ট পানী ওলাইছে। তাৰপৰা ডাইভাৰ্ট কৰিব নোৱাৰেনে ?

## বিঃ নিয়োগ বিনিময় কেন্দ্ৰ

শ্ৰীলক্ষ্মীকান্ত শইকীয়াই সুধিছে :

★১৬২। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে-

(ক) নিয়োগ বিনিময় কেন্দ্ৰ সমূহৰ যোগেদি ১৯৭২-৭৩, ১৯৭৩-৭ ১৯৭৪-৭৫ আৰু ১৯৭৫-৭৬ চনত কিমান পঞ্জীয়নভুক্ত নিবনুৱা যুৱ যুৱতীয়ে নিয়োগ লাভ কৰিছে।

(খ) নিয়োগ বিনিময় কেন্দ্ৰত পঞ্জীয়নভুক্ত নিবনুৱা যুৱক-যুৱতীক ব্যৱসায়ি পাঠ পৰিদৰ্শন আৰু নিয়োগ সেৱা সম্প্ৰসাৰণ নিয়োগ পৰামৰ্শ দ্বাৰা কি ধৰণে সহায় কৰা হয় ?

শ্ৰীগজেন তাঁতী ( শ্ৰম বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :—

১৬২। (ক) অসমৰ নিয়োগ বিনিময় কেন্দ্ৰ সমূহৰ যোগেদি চাকৰি পো প্ৰাৰ্থীৰ সংখ্যা হল —

১৯৭২ চনত-৫২৯৯

১৯৭৩ চনত-৭১৫৪

১৯৭৪ চনত-৬৫৭১

১৯৭৫ চনত-৭৩৮৩

(খ) নিয়োগ বিনিময় কেন্দ্ৰৰ যোগেদি পঞ্জীয়নভুক্ত কৰ্ম্ম প্ৰাৰ্থীসকলে তলত উল্লেখ কৰা মতে ব্যৱসায়িক আৰু বৃত্তি নিৰ্দ্দেশনা বিষয়ে সহায় লাভ কৰে—

১। নাম পঞ্জীয়নভুক্ত কৰা সময়ত চলিত নিয়োগ পৰিস্থিতি আৰু বিভিন্ন প্ৰতিষ্ঠানত সম্ভাব্য চাকৰি প্ৰশিক্ষণ আদিৰ বিষয়ে প্ৰাৰ্থীসকলক থুলমূল আভাষ দিয়ে ।

২। সমপৰ্য্যায়ৰ শিক্ষা নাইবা প্ৰশিক্ষণ প্ৰাপ্ত প্ৰাৰ্থীসকলক চলিত নিয়োগ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত নিজ নিজ যোগ্যতা অনুসাৰে চাকৰি বা প্ৰশিক্ষণ আদি নিৰ্ব্বাচন কৰাত সমূহীয়া ভাবে পৰামৰ্শ আগবঢ়ায় ।

৩। যিবিলাক কৰ্ম্ম প্ৰাৰ্থীৰ নাম নিয়োগ বিনিময় কেন্দ্ৰত বহুত দিন ধৰি পঞ্জীয়নভুক্ত হৈ আছে, অথচ তেওঁলোকে ক'তো চাকৰি পোৱা নাই সেই বিলাকৰ সমস্যা পৰ্য্যালোচনা ক্ৰমে নিয়োগৰ পৰিসীমা বৃদ্ধিৰ বাবে চেষ্টা কৰে ।

৪। পঞ্জীয়নভুক্ত প্ৰাৰ্থী সকলৰ ভিতৰত যিবিলাকে কাৰিকৰী নাইবা শিক্ষা-নবীচি প্ৰশিক্ষণ লবলৈ ইচ্ছুক তেওঁলোকক তেনেকুৱা সুযোগ সুবিধা ওলালে সেই প্ৰশিক্ষণৰ বাবে অনুমোদন কৰে ।

৫। যিবিলাক বিশেষ যোগ্যতা সম্পন্ন লোকৰ বাবে চাকৰিৰ জাননী নিয়োগ বিনিময় কেন্দ্ৰত সততে নাহে তেওঁলোকৰ চাকৰি সাহায্যাৰ্থে বিভিন্ন নিয়োগকৰ্ত্তা আৰু প্ৰতিষ্ঠান আদিৰ লগত সংযোগ ক্ৰমে উপ-যুক্ত চাকৰিৰ সন্ধান কৰে ।

## বিঃ পঞ্জীয়নভুক্ত নিবনুৱা

লক্ষ্মীকান্ত শইকীয়াই সুধিছে ঃ

★১৬৩। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত পঞ্জীয়নভুক্ত নিবনুৱা কিমান আছে ?

(খ) এই নিবনুৱা সকলৰ ভিতৰত শিক্ষিত অৰ্দ্ধশিক্ষিত আৰু অশিক্ষিতৰ সংখ্যা কিমান ?

(গ) কাৰিকৰী শিক্ষাপ্ৰাপ্ত নিবনুৱাৰ সংখ্যা কিমান ?

(ঘ) কোন মহকুমাত কোন ধৰণৰ কিমান সংখ্যক নিবনুৱা আছে ?

শ্ৰীগজেন তাঁতী ( শ্ৰম বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

১৬৩। (ক) অসমৰ নিয়োগ বিনিময় কেন্দ্ৰ সমূহত ১৯৭৫ চনৰ ডিচেম্বৰ মাহৰ শেষত পঞ্জীয়নভুক্ত কৰ্ম্ম প্ৰাৰ্থীৰ সংখ্যা হল ১,৮৯,০৪৫।

(খ)-এই কৰ্ম্ম প্ৰাৰ্থী সকলৰ ভিতৰত শিক্ষিত অৰ্থাৎ নিম্নতম প্ৰবেশিকা পৰীক্ষা উত্তীৰ্ণ হোৱা প্ৰাৰ্থীৰ সংখ্যা ৮২,৭২১ জন। বাকী অশিক্ষিত বা শিক্ষিত হলেও প্ৰবেশিকা পাচ নকৰা এনে প্ৰাৰ্থীৰ সংখ্যা ১,০৩,৬৮০ জন। ( ইয়াত উদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ পৰা পাচ কৰা প্ৰাৰ্থীৰ সংখ্যা ধৰা হোৱা নাই)।

(গ)-১৯৭৫ চনৰ ডিচেম্বৰ মাহৰ শেষত কাৰিকৰী শিক্ষা প্ৰাপ্ত পঞ্জীয়নভুক্ত প্ৰাৰ্থীৰ সংখ্যা ৩,১০১ জন।

(ঘ)- ১৯৭৫ চনৰ ডিচেম্বৰ মাহৰ শেষত অসমৰ নিয়োগ বিনিময় কেন্দ্ৰত পঞ্জীয়নবদ্ধ বিভিন্ন ধৰণৰ কৰ্ম্ম প্ৰাৰ্থীৰ সংখ্যা মহকুমাৰ অনুসাৰে এখন তালিকা সদনৰ মেজত ৰখা হল।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া ঃ— মাননীয় অধ্যক্ষ মহোদয়, ১৬২ নম্বৰৰ তাৰাংকিত প্ৰশ্নৰ (ক) ৰ উত্তৰত অসমৰ নিয়োগ বিনিময় কেন্দ্ৰ সমূহৰ যোগেদি চাকৰি পোৱা প্ৰাৰ্থীৰ সংখ্যা ১৯৭২-৭৩, ১৯৭৩-৭৪, ১৯৭৪-৭৫ আৰু ১৯৭৫-৭৬ ৰ হিচাবটো দেখুৱাইছে। প্ৰায় ২৫ হেজাৰ মান লোকৰ নিয়োগ হৈছে বুলি কৈছে। তাৰ ভিতৰত চৰকাৰীৰ আৰু বেচৰকাৰীৰ সংখ্যা কিমান সেইটো মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীগজেন তাঁতী ( মন্ত্ৰী ) :— সেইটো ফিগাৰ মোৰ হাতত নাই ।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া :— মাননীয় মন্ত্ৰী মহোদয়ে মোৰ ১৬৩ প্ৰশ্নৰ উত্তৰত নিয়োগ বিনিময় কেন্দ্ৰত পঞ্জীয়নভুক্ত লোকৰ যিটো হিচাব দিছে সেই সংক্ৰান্ততে মই জানিব বিচাৰিছো যে, যি বিলাকৰ নাম লিখা হৈছে সেইবিলাকক নিয়োগ কৰাৰ কাৰণে কি ব্যৱস্থা চৰকাৰে হাতত লৈছে আৰু বিশেষকৈ যি সকল অশিক্ষিত সেই সকলৰ সংখ্যাই ইয়াৰ ভিতৰত বেছি সেই সকলৰ নিয়োগ কৰাৰ কি ব্যৱস্থা চৰকাৰে কৰিছে ?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, নিয়োগ বিনিময় কেন্দ্ৰই নিয়োগৰ ক্ষেত্ৰত সহায়হে কৰে । নিয়োগ কৰাৰ ব্যৱস্থা নাই ।

শ্ৰীগিয়াচুদ্দিন আহমেদ :— বেচৰকাৰী প্ৰতিষ্ঠানৰ কাৰণেও নিয়োগ বিনিময় কেন্দ্ৰলৈ যাবলগীয়া হয়নেকি ?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী) :— হয় ।

শ্ৰীগিয়াচুদ্দিন আহমেদ :— বেচৰকাৰী অনুষ্ঠান বিলাকে চৰকাৰৰ নিয়োগ বিনিময় বিলাকক বুঢ়া আঙুলি দেখুৱাই নিজৰ খুছি মতে নিয়োগ কৰি থকা কথাটো চৰকাৰে জানেনে ?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী) :— দুই এঠাইত সেইটো হৈছে আৰু চৰকাৰে তাৰ ব্যৱস্থা হাতত লৈছে ।

Shri Atul Saikia :— Sir, in other States there are special Employment Exchanges for the physically handicapped people. But in Assam there is none. May I know from the Minister :— Why it is so ?

শ্ৰীগজেন তাঁতী :— 'ফিজিকেলি হেণ্ডিকেপ' বিলাকৰ ব্যৱস্থা অন্য বিভাগে কৰে ।

Shri Jagannath Singh :— Sir, as per existing Rule the employers are supposed to intimate the vacancies to the Employment Exchanges, but there is no compulsion that the employers must appoint candidates recommended by the Employment Exchanges. Whether it is a fact ? And if so, whether the Government will think of amending the Act so that the employers will employ only candidates recommended by the Employment Exchanges ?

Shri Gajen Tanti ( Minister, Labour ) :— Sir, it is a fact that till now it is not compulsory that the employers can employ only people recommended by the Employment Exchanges. Sir, it is a Central subject. This aspect of the matter is under considerations of many State Governments and they are thinking of taking up the matter with the Central Government.

Sri Jagannath Singh :— Whether it is a fact that the employers are taking advantage of this loophole and they simply intimate the Employment Exchanges but give employment only to their own nominees ?

Shri Gajen Tanti :— ( Minister, Labour ) :— Sir, that is a matter of opinion.

শ্ৰীলক্ষীকান্ত শইকীয়া :— মাননীয় অধ্যক্ষ মহোদয়, কাৰিকৰী শিক্ষাপ্ৰাপ্ত পঞ্জীয়ন ভূক্ত লোকৰ সংখ্যা তিনি হেজাৰ এশ এজন বুলি মাননীয় মন্ত্ৰী মহোদয়ে মোৰ ১৬৩ নম্বৰ প্ৰশ্নৰ উত্তৰত কৈছে। লগতে ডিপ্লমা, ডিগ্ৰীধাৰিৰ সংখ্যা কিমান আছে সেইটোও মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী) :— আই, টি, আই পাছ কৰা ২৬৪৪ জন, ডিপ্লমা ৪০১ জন আৰু ডিগ্ৰী ইঞ্জিনিয়াৰিং ৫৬ জন আছে।

শ্ৰীসোনেশ্বৰ বৰা :— কি ভিত্তিত নিবনুৱা সকলক নিবনুৱা বুলি চিনাক্ত কৰা হয় ?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী) :— যি সকল লোকে চাকৰি নেপায় সেই সকলেই নিয়োগ বিনিময় কেন্দ্ৰ সমূহত নামভৰ্ত্তি কৰে। নিয়োগ বিনিময় কেন্দ্ৰই চাকৰি নকৰা সকলকে নিবনুৱা বুলি ধৰে।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড :— অনেক বিলাক উদ্যোগিক প্ৰতিষ্ঠানে নিয়োগ বিনিময় কেন্দ্ৰই পঠোৱা প্ৰাৰ্থীক অৰ্হতা কম বুলি ফিৰাই পথোৱা কথাটো মন্ত্ৰী মহোদয়ে জানেনে আৰু যদি জানে তেনেহলে, অৰ্হতা কম নে সেই কথাটো বিশ্লেষণ কৰি চাইছেনে ?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী) :— বিশ্লেষণ কৰি চোৱা হৈছে কাৰণেই 'এপ্ৰেন্টিচ এক্ট'ৰ জৰিয়তে তাৰ ব্যৱস্থা কৰা হৈছে।

শ্ৰীঅতুল চন্দ্ৰ শইকীয়া :— অধ্যক্ষ মহোদয়, চাকৰি আদি খালি হলে কেতিয়াবা নিয়োগ বিনিময় কেন্দ্ৰক নজনোৱাকৈয়ে নিয়োগ কৰা কথা-বিলাক তদন্ত কৰিবৰ কাৰনে এটা তদন্ত কমিটি কৰাৰ কথাটো চৰকাৰে বিবেচনা কৰিবনে ?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী) :— তেনেকুৱা কমিটি গঠন কৰাৰ প্ৰয়োজনীয়তা আছে বুলি মই নেভাবো। আমাৰ হাউচৰে তেনেকুৱা এটা কমিটি আছে। তৰোপৰি মাননীয় সদস্য সকলে এই বিষয়ত খবৰ দিব পাৰে তাৰ ব্যৱস্থা কৰিব পাৰি।

শ্ৰীআতাউৰ ৰহমান :— চাকৰিৰ কাৰণে যেতিয়া বিজ্ঞপ্তি দিয়া হয় তেতিয়া অমুক নিয়োগ বিনিময় কেন্দ্ৰৰ পৰা নাম পথাব লাগিব বুলি উল্লেখ থকা কথাটো মাননীয় মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী) :— তেনেকুৱা খবৰ মোৰ হাতত নাই।

শ্রীআতাউৰ ৰহমান :— 'এনিমেল হাচবেণ্ড্ৰি এণ্ড ভেটেৰীনেৰী' বিভাগে এইটো হোৱাৰ নজিৰ আছে। এইটো অনুসন্ধান কৰি চাব লাগিব

শ্রীদুলাল চন্দ্ৰ খাউণ্ড :— নিবনুৱা সকলক সহায় কৰিবৰ কাৰণে যোৰহাট ই, এম, টি চেণ্টাৰে যিদৰে কাম কাজ কৰিছে সেইটোলৈ লক্ষ্য ৰা' তাক সম্প্ৰসাৰণ কৰাৰ দিহা চৰকাৰে কৰিবনে ?

শ্রীগজেন তাঁতী (মন্ত্ৰী) :— তেনেকুৱা পৰামৰ্শ বিবেচনা কৰি চাব পা

শ্রীগিয়াচুদ্দিন আহমেদ :— নিয়োগ বিনিময় কেন্দ্ৰক কোনো খবৰ নিদিয় কৈয়ে যদি কোনো বিভাগে নিয়োগ কৰি থকা খবৰ দিয়া হয় তেনে হলে, সেই সংশ্লিষ্ট বিভাগৰ বিৰুদ্ধে চৰকাৰে ব্যৱস্থা হাতত লবনে ?

শ্রীগজেন তাঁতী (মন্ত্ৰী) :— তেনেকুৱা খবৰ মোৰ হাতত নাই। তথ পিও বিভাগ বিলাকক সহায় কৰিবৰ কাৰণে ব্যৱস্থা কৰিছোঁ।

শ্রীঅতুল চন্দ্ৰ শইকীয়া :— থলুৱা লোকৰ কিবা সংজ্ঞা আছেনেকি ?

শ্রীগজেন তাঁতী (মন্ত্ৰী) :— নিয়োগ বিনিময় কেন্দ্ৰই ইমান ডিটেইলছ নোৱাৰে।

শ্রীজগদীশ দাস :— চিডিউল কাষ্টকে আদি কৰি 'মাইনৰিটি কমিউনিটী কিমান আছে সেইটো জনাবনে ?

**Re : Golakganj Basic Training Centre :**

Shri KABIR CHANDRA ROY PRADHANI asked :

★164 Will the Minister-in-charge of Education be pleas to state :—

(a) Whether the building of Golakganj Basic Training Centre has been electrified ?

(b) If not, whether the Government will take up the work of electrification of the same very soon ?

(c) Whether the additional buildings constructed to accommodate female section have been given to the Chilaray College authority to run the College there temporarily ?

(d) If so, whether Government will donate this part of the buildings to the College authority so as to keep the memory of the great General Chilaray ?

Shri Mati Syeda Anwara Taimur ( Minister ) replied :

64 (a) No.

(b) Government will examine the possibility of electrification of the Basic Training Centre building.

(c) Yes. Permission has been given to run the College there temporarily upto September, 1976.

(d) No. The entire building will be required for the Basic Training Centre.

শ্ৰীকবিৰ চন্দ্ৰ ৰায় প্ৰধানী ঃ— ইয়াতে প্ৰশ্ন 'বি' ৰ উত্তৰত কৈছে যে চৰকাৰে বিবেচনা কৰি আছে আৰু কথাটো পৰীক্ষা কৰি চাব । কিন্তু গোলোকগঞ্জত কেতিয়া ইলেট্ৰিফিকেচন কৰা হৈছিল আৰু বেচিক ট্ৰেইনিং চেণ্টাৰ কেতিয়া কৰা হ'ল আৰু ইমান দিনে কিয় ইলেকট্ৰিফিকেচন কৰা নহ'ল মন্ত্ৰী মহোদয়ে জনাবনে ?

Smt. SYEDA ANWARA TAIMUR (Minister of State) :— It depends upon the availability of funds.

শ্ৰীকবিৰ চন্দ্ৰ ৰায় প্ৰধানী :— কেতিয়া ফাণ্ড হব এইটো জনাবনে ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী) :— এইটো পৰীক্ষা কৰি থকা হৈছে বুলি কৈছোৱেই। কিমান টকা লাগিব সেইটো প্ৰপোজেল দিয়া হৈছে আৰু সেইটোকে পৰীক্ষা কৰি থকা হৈছে।

শ্ৰীকবিৰ চন্দ্ৰ ৰায় প্ৰধানী :— 'ডি' প্ৰশ্নৰ উত্তৰত কৈছে যে ফিমেল চেক্সনৰ কাৰণে বিবেচনা কৰি আছে সেই কাৰণে এইটো বিল্ডিং দিব নোৱাৰে। এই বিল্ডিংটো কেতিয়া সজা হৈছিল আৰু ফিমেল চেক্সন তেতিয়া খোলা নাছিল নেকি ? খালি হোৱা নাই আৰু মেৰামত কৰিব পৰা নাই এইটো কথা সঁচানেকি ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ ( মন্ত্ৰী ) :— এইটো এটা এডিচনেল বিল্ডিং। এইটো কিন্তু নতুন বিল্ডিংঙেই। গোলোকগঞ্জ ট্ৰেইনিং চেণ্টাৰত লৰা আৰু ছোৱালীৰ কাৰণে ট্ৰেইনিং দিয়া হৈছিল কিন্তু পিচত ছোৱালী কম হোৱা কাৰণে তাৰ পৰা অনা হল আৰু ১-১০-৭৩ তাৰিখৰ পৰা চিলাৰায় কলেজে অনুমতি লৈ তাত ক্লাচ আৰম্ভ কৰিছে।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী :— আৰম্ভনীৰে পৰা তাত ফিমেল চেক্সন খোলা নাই এইটো কথা সঁচানে ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ ( মন্ত্ৰী ) :— নহয়। আছিল। পিচে ছোৱালী কম হোৱাৰ কাৰণে ৰহা কেন্দ্ৰলৈ লৈ অহা হ'ল।

শ্ৰীগিয়াচুদ্দিন আহমেদ ঃ— ইয়াত বিজুলী যোগানৰ কথা উঠিছে যেতিয়া এটা কথা জানিব বিচাৰিছো যে আমাৰ ব্যক্তিগত অভিজ্ঞতাৰ পৰা এইটো পাইছো যে ধুবুৰী মহকুমাত যি বিলাক ঠাইত লাইট যোগানৰ ব্যৱস্থা হৈছে তাত লাইট বিলাক ঘনে ঘনে নুমাই যায়, এইটো কথালৈ বিবেচনা কৰি বিজুলী বাতি যোগান ধৰাৰ লগতে মমবাতি যোগান ধৰাৰ ব্যৱস্থা কৰিব নে ?

মাননীয় অধ্যক্ষ ঃ— সেইটো পাওৱাৰ মিনিষ্টাৰক কওক ।

**Re : Block Development Officers**

Shri MAL CHANDRA PEGU asked :

★ 165. Will the Minister, Panchayat be pleased to state-

(a) Total number of Block Development Officers directly recruited in the State ( to be shown Community-wise ) ?

(b) Total number of Block Development Officers promoted from extension officers ( to be shown Community-wise ) ?

Shri SYED AHMED ALI ( Minister, Panchayat ) replied :

165. (a) —None.

| | | |
|---|---|---|
| (b) -General | ... | 67 |
| O. B. C. | ... | 17 |
| S. T. (P) | ... | 4 |
| S. T. (H) | ... | 6 |
| S. C. | ... | 2 |
| Total- | | 96 |

Shri MAL CHANDRA PEGU :— Sir, in the matter of promotion special weightage is to be given to the Scheduled castes and scheduled Tribes officers. May I know from the Hon'ble Minister why one Shri Druna Kanta Bhagawati new Majuli BDO who was appointed as a Gram Sevak along with Shri Holiram Tahu, Shri Lakheswar Milli and Shri Lankheswar Doley, was promoted to the rank of Extension officer while others were left out ? Why this discrimination was made ?

Shri SYED AHMED ALI ( Minister ) :— Sir, in the matter of promotion there is no such consideration. The only consideration is merit cum seniority. So, in this particular case I shall have to look into.

Shri MAL CHANDRA PEGU :— Sir, whether the Minister will kindly let the questioner know why this particular person was given promotion much ahead of time ignoring the claims of those 2/3 persons ?

Shri SYED AHMED ALI, ( Minister ) Sir, I have already said that I shall look into it.

শ্ৰীজগদীশ চন্দ্ৰ দাস :— মাননীয় মন্ত্ৰী মহোদয়ে মুঠ সংখ্যা ছিয়ানৈব্ব জন বুলি কৈছে। তাৰ ভিতৰত দুজন মাত্ৰ অনুসূচিত সম্প্ৰদায়ৰ। কিন্তু কোটা মতে আমি ছয়জন পাব লাগিছিল। কি কাৰণত এইটো হোৱা নাই আৰু এই বেকলগটো ফিলআপ কৰাৰ কাৰণে মন্ত্ৰীমহোদয়ে আশ্বাস দিবনে ?

শ্ৰীচৈয়দ আহমেদ আলী (মন্ত্ৰী) :— প্ৰমোচনৰ বেলিকা কোনো ৰিজাৰ্ভেচনৰ কথা নাই। ডাইৰেক্ট ৰিক্ৰুইটমেণ্টত হে আছে।

শ্ৰীজগদীশ চন্দ্ৰ দাস :— তথাপি এই ডিফাৰেন্সটো আতঁৰোৱাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীচৈয়দ আহমেদ আলী (মন্ত্ৰী) :— প্ৰমোচনৰ বেলিকা মেৰিট কাম চি-নিঅৰিটি হিচাবে যেতিয়া কৰা হয় এইটো চোৱা আনএব'ল।

শ্ৰীজগদীশ চন্দ্ৰ দাস :— এই বেকলগ ফিলআপ কৰাৰ কাৰণে আশ্বাস দিবনে ?

শ্ৰীচৈয়দ আহমেদ আলী (মন্ত্ৰী) :— এইটো চৰকাৰৰ ফালৰ পৰা আশ্বাস দিয়াই আছে।

Shri PREMADHAR BORA :— Sir, how many Blocks are there in the State without regular B. D. O. ?

Shri SYED AHMED ALI ( Minister ) About 90.

Shri PREMADHAR BORA :— If so, whether steps will be taken to immediately fill up these vacancies ?

Shri SYED AHMED ALI ( Minister ) Sir, we have already requested the Public Service Commission to send us the list of candidates duly recommended by them.

Shri PREMADHAR BORA :— Sir, whether it is a fact that there are long pending cases, and applications were called for, interviews and written teste were held but there has been no result as yet ?

Shri SYED AHMED ALI, ( Minister ) It is true, Sir. The Public Service Commission was requested sometime in 1973 and according to my information, in the meantime they have already completed the written tests and inter–views and we have requested them to send us the list of candidates duly recommended by them.

Sri ATUL CHANDRA SAIKIA :— Sir, the Hon'ble Minister has said that merit cum seniority is the only basis for promotion. May I know from the Hon'ble Minister what is the percentage of weightage given on merit and what is the percentage of weightage given on seniority ?

Shri SYED AHMED ALI, ( Minister ) :— Sir, it is depends upon the individual cases, taken together.

Shri JAGANNATH SINHA :— Sir, how many Blocks are there in the State of Assam where under matric B. D. Os are there ?

Shri SYED AHMED ALI, ( Minister ) Sir, I have not got the exact number but there are few.

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী :— এইটো কথা সঁচানেকি যে ইতিমধ্যে বি-ডি-অ নিয়োগ কৰা হৈ আছে ?

চৈয়দ আহমেদ আলী ( মন্ত্ৰী ) :—এইটো সঁচা নহয় ।

শ্ৰীঅযোধ্যাৰাম দাস :— মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে প্ৰমোচনৰ বেলিকা ৰিজাৰ্ভেচনৰ কথা নাই । এইটো কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা কিবা প্ৰিফাৰেন্সিয়েল ট্ৰিটমেণ্ট লোৱাৰ কথা আছে নেকি ?

চৈয়দ আহমেদ আলী ( মন্ত্ৰী ) :— প্ৰিফাৰেন্সিয়েল ট্ৰিটমেণ্ট সম্পৰ্কে কেন্দ্ৰীয় চৰকাৰৰ পৰা কোনো ডিৰেকচন নাই কিন্তু এইটো কনষ্টিটিউচনৰ কথা ।

Shri ATUL CHANDRA SAIKIA :— Sir, what the sub section 4 of Article 16 of the Constitution of India says in this matter ?

Shri SYED AHMED ALI ( Minister Law ) Sir, Section 4 of Article 16 is in the matter of appointment. At the first stage there is no mention of promotion in the Article. Under Article 35, so far as I can remember, there is also provision for appointment on the basis of efficiency. There is nowhere in the Constitution written in the case of promotion, or reservatien.

শ্ৰীগিয়াচুদ্দীন আহমদ :— মন্ত্ৰী ডাঙৰীয়াই কেইটামান কথা কৈছে যে আনদাৰ মেট্ৰিক পাচ কৰা বি, দি, অ য়ো আছে । এই আনদাৰ মেট্ৰিক পাচ কুৱালিফিকেশ্যন হিচাবে ধৰা হৈছে নেকি ? যদি ধৰা হৈছে কি হিচাবে ধৰা হৈছে যে তেওঁলোকক দিয়া হৈছে ।

শ্ৰীচৈয়দ আহমেদ আলি ( মন্ত্ৰী ) :— ১৯৬২ চনৰে পৰা এই ১৯৭৪ চনলৈকে এই কাল চোৱাৰ ভিতৰত বহুতো মেট্ৰিক, আনদাৰ মেট্ৰিক আৰু ইনটাৰমেদিয়েটক একৰ্ডিং টু এফিচেনসী চিনিয়ৰিটি বা মেৰিটৰ ওপৰত প্ৰমোশ্যন দিয়া হৈছে।

Starred Question No 166 was not put Member being absent

**বিঃ বৃহৎ আৰু মজলীয়া জলসিঞ্চন প্ৰকল্প আঁচনি**

শ্ৰীলক্ষ্মীকান্ত শইকীয়াই সুধিছে :—

★১৬৭। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ১৯৭২ চনৰ পৰা বৰ্তমানলৈকে অসমত বৃহৎ আৰু মজলীয়া কেইটা জলসিঞ্চন প্ৰকল্প আঁচনি লোৱা হৈছে আৰু ক'ত ক'ত লোৱা হৈছে ?

(খ) এই আঁচনিবোৰৰ কেইটা কাৰ্য্যকৰী কৰা হৈছে আৰু কেইটা প্ৰকল্পৰ দ্বাৰা পানী যোগান ধৰা হৈছে ?

(গ) এই আঁচনিবোৰৰ দ্বাৰা কিমান মাটিত পানী যোগান ধৰিব পৰা গৈছে ?

(ঘ) এই প্ৰকল্পবোৰত কিমান টকা ব্যয় ধাৰ্য্য কৰা হৈছে ?

শ্ৰীমহম্মদ ওমৰুদ্দিন (জলসিঞ্চন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

১৬৭। (ক)—(১) বৃহৎ আঁচনি ১ খন ধনশিৰি জলসিঞ্চন আঁচনি, মঙ্গলদৈ মহকুমাৰ ভৈৰৱ কুণ্ডৰ ওচৰত।

(২) মজলীয়া আঁচনি ৯ খন—

(ক) কলিয়াবৰ উত্তোলক জলসিঞ্চন আঁচনি—নগাওঁ জিলাৰ কলিয়াবৰ অঞ্চলৰ হাতীমূৰাত।

(খ) কলং অৱবাহিকাৰ সংযোজিত জলসিঞ্চন আঁচনি— নগাওঁ জিলাৰ কলিয়াবৰ অঞ্চলৰ হাতীমূৰাত।

(গ) জাজলাই গাওঁ ৰাজাহুত্রি উত্তোলক জলসিঞ্চন আঁচনি—কোকৰাঝাৰ মহকুমাৰ গৰুফেলাৰ ওচৰত।

(ঘ) ডেকাদং জলসিঞ্চন আঁচনি—উত্তৰ কামৰূপৰ বজালী অঞ্চলৰ আহপা গাৱঁত।

(ঙ) কালদিয়া জলসিঞ্চন আঁচনি—উত্তৰ কামৰূপৰ জালাহঘাটৰ ওচৰত।

(চ) বৰদিকৰাই জলসিঞ্চন আঁচনি—দৰং জিলাৰ সিজোচা গাৱঁৰ ওচৰত।

(ছ) দিখাৰী জলসিঞ্চন আঁচনি—মিকিৰ পাহাৰ জিলাৰ ডোকমোকাৰ ওচৰত।

(জ) কলঙা জলসিঞ্চন আঁচনি-মিকিৰ পাহাৰ জিলাৰ কলঙা বজাৰৰ ওচৰত।

(ঝ) দেওঁৰাণী জলসিঞ্চন আঁচনি—উত্তৰ কাছাৰ পাহাৰ জিলাৰ নয়াপুৰ বস্তিৰ ওচৰত।

(খ) ওপৰোক্ত প্ৰথম ৭খন আঁচনিৰ কাম আৰম্ভ কৰা হৈছে আৰু কোনো এখন আঁচনিৰ দ্বাৰা পানী যোগান ধৰা হোৱা নাই।

(গ) আঁচনি কেইখন সম্পূৰ্ণ হলেহে পানী যোগান ধৰিব পৰা যাব।

(ঘ) মুঠ ব্যয়ৰ পৰিমাণ আনুমানিক বত্ৰিশ কোটি ষাঠি লাখ টকা।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া :— মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াই যি কেইটা জলসিঞ্চন প্ৰকল্পৰ কথা উল্লেখ কৰিছে সেই কেইটা কেতিয়ামানে কাৰ্য্যকৰী বা সক্ৰীয় হৈ উঠিব বুলি আশা কৰা হৈছে ?

শ্ৰীমহম্মদ ওমৰুদ্দিন (মন্ত্ৰী) :— বিভিন্ন সময়ত এই প্ৰকল্প বিলাক লোৱা হৈছে আৰু তাৰ প্ৰত্যেক আঁচনিতে 'টাৰগেট' আৰু 'দেট' ধৰা আছে, সেইকাৰণে এই বিভিন্ন আঁচনিৰ কাম বিভিন্ন সময়ত হৈ উঠিব বুলি আশা কৰিব পাৰি ।

শ্ৰীবদন তালুকদাৰ :— বেলেগ বেলেগ সময় এই আঁচনিৰ কাৰণে বান্ধি দিয়া হৈছে, এতিয়া কথা হল কোন কোন আঁচনি সময়মতে হোৱা নাই বা সময় অতিবাহিত হৈ গৈছে ?

শ্ৰীমহম্মদ ওমৰুদ্দীন (মন্ত্ৰী) :— ১৯৭২ চনৰ পৰা লোৱা হৈছে, এতিয়াও কোনোটো আঁচনিৰে সময় হোৱা নাই ।

শ্ৰীবদন তালুকদাৰ :— মোৰ প্ৰশ্ন হ'ল যিটো টাইম বাউণ্ড পিৰিয়ড সেইটো পাৰ হৈ গৈছে নেকি ?

শ্ৰীমহম্মদ ওমৰুদ্দিন (মন্ত্ৰী) :— নাই হোৱা ।

শ্ৰীকেহোৰাম হাজৰীকা :— কিমান মাটিত এই আঁচনিৰে জলসিঞ্চন কৰিব পৰা হব ?

শ্ৰীমহম্মদ ওমৰুদ্দীন (মন্ত্ৰী) :— প্ৰত্যেক আঁচনিৰ কাৰণে বেলেগ বেলেগ হিচাব আছে, গতিকে টোতেল এৰিয়াটো দিবলৈ হলে হিচাব কৰিব লাগিব ।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড :— প্ৰধান মন্ত্ৰীৰ কুড়ীদফীয়া আঁচনিত চাৰে বাৰ নিযুত হেক্টৰ মাটিত নতুনকৈ পানী যোগান ধৰা কথা আছে, মন্ত্ৰী

ডাওৰীয়াই কোৱা আঁচনি বিলাক ইয়াৰ ভিতৰত ধৰা হৈছে নে নাই নে নতুনকৈ পানী যোগানৰ কাৰণে টকা ধৰা হব ?

শ্ৰীমহম্মদ ওমৰুদ্দীন (মন্ত্ৰী) :— প্লেনিং কমিশ্যনে যিটো আঁচনি দিছে তাৰ ভিতৰতেই এই আঁচনি বিলাক ধৰা হৈছে আৰু এই আঁচনি বিলাকৰ গোটেইখিনিয়েই পঞ্চম পৰিকল্পনাৰ ভিতৰত শেষ কৰা হব আৰু ৫০ লাখ হেক্টৰ মাটি তাৰ ভিতৰত চামিল কৰা হব ।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড :— মোৰ প্ৰশ্নৰ উত্তৰ নাপালো, এই কুড়ীদফীয়া আঁচনিত বিশেষ ভাবে পানী যোগান ধৰাৰ ব্যৱস্থা কৰা হৈছে নেকি ? আৰু যোৱা জুলাই মাহৰ পৰা এই সংক্ৰান্তত নতুন আঁচনি লোৱা হৈছে নেকি ?

শ্ৰীমহম্মদ ওমৰুদ্দীন (মন্ত্ৰী) :— যি খিনি আঁচনি বৰ্ত্তমান আমাৰ হাতত আছে সেই খিনি সম্পূৰ্ণ কৰিবলৈ চেষ্টা কৰা হৈছে, তাৰ উপৰিও নতুন নতুন ইনভেষ্টিগেশ্যন চলি আছে ।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড :— কুড়ীদফীয়া আঁচনিৰ ভিতৰত গোটেই জলসিঞ্চনৰ আঁচনি লোৱা হৈছে নেকি ?

শ্ৰীমহম্মদ ওমৰুদ্দীন (মন্ত্ৰী) :— এতিয়ালৈকে যি আঁচনি কৰা হৈছে সেই মতে আমি প্ৰায় ৫ মিলিয়ন হেক্টৰ মাটিত পানী যোগান ধৰিব পাৰিম। সেই খিনিকে কৰিবলৈ আমি এতিয়া খৰটকীয়া ব্যৱস্থা কৰি আছোঁ।

Shri DULAL Ch. KHOUND :— Sir, but you did not mention in your programme what specific programmes and actions has been taken in respect of prime Minister's 20-Point economic programme ? Mr. Speaker Sir, the Hon'ble Minster is seems to be a past-master of evasion.

Shri Md. UMARUDDIN (Minister, Irrigation) :— Sir, I take strong exception to this. He must withdraw this.

Mr. SPEAKER :— yes, you should withdraw this.

Shri DULAL Ch. KHAUND. :— Yes sir, I withdraw this. I prticularly want what are the progammes taken up under the 20-point Economic Programme. I dont want to know about the three five year plane.

Shri Md. UMARUDDIN (Minister, Irrigation) :— Sir, we have taken up large number of programmes which are under investigation under Five year plans. Only after a year or so even after six months I will be able to say what programmes and projects have been taken up for implementation, and what are the financial resources made available for execution of these projects.

Shri BALABHADRA DAS :— Sir, the Hon. Minister wants to say that he is well-ahead of the 20-point Economic programme. Does he claim that ?

Shri Md. UMARUDDIN (Minister, Irrigation) :— That is not my point.

Shri DULAL Ch. KHOUND :— That Sir, he has given us to know adout the projects taken up since 1972. The question has been asked as to what has been done to contribute to the national programme of 5 million hectares.

Shri Md. UMARUDDIN (Minister, Irrigation) :— I say that we will take up some more programmes for which we will take up special measures for iuvestigation.

Shri BALABHADRA DAS :— Sir, is it not the reply of the Hon. Minister that after the 20-point Economic programme has been initiated not a single plot of land is irrigated in Assam ?

Shri Md. UMARUDDIN (Minister, Irrigation :— Sir, these projects are being investigated.

শ্ৰীপ্ৰেম বৰা :— এই জলসিঞ্চনৰ আঁচনি লবৰ সময়ত সামগ্ৰিক ভাবে গোটেই ৰাজ্যখনৰ জৰীপ কাৰ্য্য চলোৱা হৈছে নে নাই। কিয়নো এই ক্ষেত্ৰত ৩২ কোটি টকা লোৱা হব তেনেস্থলত ৰাজ্যখনৰ সকলো অঞ্চলতে এই পানী যোগান আঁচনি লোৱা হব নে নহয় ?

শ্ৰীমহম্মদ ওমৰুদ্দীন (মন্ত্ৰী) :— ইয়াৰ বিভিন্ন আঁচনিৰ প্ৰাৰম্ভিক কাম ইতি-মধ্যে আৰম্ভ হৈছে। তাৰোপৰি এই আঁচনি বিলাক প্ৰত্যেকটো সমান নহয়, কোনোটো ৩। ৪ কোটি টকাৰ কোনোটো ৫০।৬০ লাখ টকাৰ আৰু কোনোটো তাতোকৈ কম, সেইকাৰণে এই আঁচনি বিলাকৰ কাৰণে সময় লাগিব, প্লেনিং কমিশ্যনে এই বিষয়ত সময় বান্ধি দিছে আৰু মাননীয় সদস্যজনে যি জৰীপ কৰাৰ কথা কৈছে সেই বিষয়ে নিশ্চয় চিন্তা কৰা হব।

শ্ৰীলক্ষ্মী কান্ত শইকীয়া :— অধ্যক্ষ মহোদয়, ১৯৭২-৭৩ চনত আৰম্ভ কৰা বহুতো জলসিঞ্চন আঁচনিৰ কাম আৱশ্যকীয় বহুতো সামগ্ৰীৰ অভাৱত

অসমাপ্ত হৈ আছিল। গতিকে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে বৰ্তমানে যি বিলাক আঁচনি লোৱা হৈছে সেই আঁচনি বিলাক কাৰ্য্যকৰী কৰিবলৈ যি বিলাক বিশেষ আৱশ্যকীয় সামগ্ৰীৰ দৰকাৰ হব সেইবিলাক যোগাৰ কৰাৰ ব্যৱস্থা কৰিছে নে নাই ?

মহম্মদ ওমৰুদ্দীন (মন্ত্ৰী) :— সেই সামগ্ৰী বিলাকৰ বেছি ভাগে আমাৰ যোগাৰ হৈ আছে। অৱশ্যে চিমেণ্ট অনাৰ অসুবিধাৰ কাৰণে অলপ অসুবিধা হৈছে। সেইটো এতিয়া ব্যৱস্থা কৰা হৈছে।

Shri GIASUDDIN AHMED :— May I know specifically what is the target sought to be fulfilled under the 20-point economic programme in Assam ? In other words, what is the total area of land sought to be irrigated in Assam out of the national 5 million hectare ?

Shri Md. UMARUDDIN (Minister, irrigation) :— This depend on a number of factors viz : feasibility, area, money and organisation. All these taken together can only determine to what extent we will be able to fulfil.

## বিঃ উদ্যোগিক প্ৰশিক্ষণ বিদ্যালয়

শ্ৰীলক্ষ্মীকান্ত শইকীয়াই সুধিছে :

★১৬৮। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে-

(ক) অসমত কিমান উদ্যোগিক প্ৰশিক্ষণ বিদ্যালয় আছে আৰু ক'ত ক'ত ?

(খ) এই বিদ্যালয় কেইটাত কি কি বিষয়ত প্ৰশিক্ষণ দিয়া হয় ?

(গ) এই বিদ্যালয় সমূহত বৰ্তমান কিমানজন প্ৰশিক্ষক আৰু প্ৰশিক্ষাৰ্থী আছে ?

(ঘ) এই বিদ্যালয় সমূহত মুঠ বাৰ্ষিক ব্যয় কিমান হয় ?

(ঙ) এই বিদ্যালয় সমূহত বৰ্ত্তমান প্ৰশিক্ষণৰ পাঠ্যক্ৰম সলনি কৰাৰ প্ৰস্তাৱ চৰকাৰৰ আছে নেকি ?

শ্ৰীগজেন তাঁতী (শ্ৰম বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১৬৮। (ক)–অসমত ৯ খন উদ্যোগিক প্ৰশিক্ষণ যথাক্ৰমে যোৰহাট, গুৱাহাটী, বৰপেটা, নগাওঁ, ডিফু, তেজপুৰ, বংগাইগাওঁ, শ্ৰীকোনা আৰু তিনিচুকীয়াত আছে।

(খ)– 1. Blacksmith 2. Carpenter 3. Electrician 4. Fitter 5. Machinist 6. Mechanic ( Motor Vehicle ) 7. Mechanic ( Radio ) 8. Mechanic ( Tractor ) 9. Mechanic ( Diesel ) 10. Sheet Metal Worker 11. Turner 12. Plumber 13. Draughtsmen ( Civil ) 14. Draughtsmen Mechanical ) 15. Surveyor 16. Stenographer (English) 17. Welder ( Gas & Electric ) 18. Wireman 19. Watch & clock Maker 20. Cutting and Tailoring 21. printing Machine Operator 22. Hand Composition and proof Reading.

(গ)– এই প্ৰতিষ্ঠান সমূহত বৰ্ত্তমান প্ৰশিক্ষকৰ মুঠ সংখ্যা ২২২ জন আৰু প্ৰশিক্ষাৰ্থীৰ সংখ্যা ২,২৩৮ জন।

(ঘ)– প্ৰতিষ্ঠান সমূহৰ বাৰ্ষিক মুঠ ব্যয় হয় প্ৰায় ৩০ লাখ টকা।

(ঙ)– চৰকাৰৰ পাঠ্যক্ৰম সলনি কৰাৰ কোনো প্ৰস্তাৱ বৰ্ত্তমানে নাই।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া :— অধ্যক্ষ মহোদয়, মোৰ এনে এটা প্ৰশ্নত ইতিপূৰ্বে উত্তৰ দিওঁতে মন্ত্ৰীয়ে জনাইছিল যে আমাৰ তিনি হাজাৰ চাৰিশ প্ৰশিক্ষণ প্ৰাপ্ত লোক নিবনুৱা হৈ বহি আছে। ইয়াৰ পৰা বুজা যায় যে বৰ্তমান যি পাঠ্যক্ৰম চলি আছে সেইমতে প্ৰশিক্ষা কেন্দ্ৰ সমূহত যি সকলক প্ৰশিক্ষণ দিয়া হয়, তেওঁলোকক আৱশ্যক মতে নিয়োগ কৰা টান হৈ পৰে ফলত বহুত প্ৰশিক্ষণ প্ৰাপ্ত ডেকা লৰাই বহি থাকে। গতিকে প্ৰচলিত পাঠ্যক্ৰমটো আমাৰ আৱশ্যক অনুসাৰে পৰিবৰ্তন কৰাৰ ব্যৱস্থা কৰিব নে ?

মাননীয় অধ্যক্ষ :— চৰকাৰে নাই বুলি কৈছে।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া :— মহোদয়, এই অস্থায়ী ৰাজধানী নিৰ্মাণৰ সময়ত যেতিয়া পূৰ্ণোদ্যমে এই দিশপুৰতে নিৰ্মাণৰ কাম চলিছিল তেতিয়াও আমাৰ থলুৱা ৰাজ মিস্ত্ৰী, মিস্ত্ৰী আদি নোহোৱা কাৰণে আমাৰ থলুৱা লোকক নিয়োগ কৰিব পৰা নগৈছিল। গতিকে দৰকাৰ অনুসাৰে কিছুমান প্ৰশিক্ষণ কেন্দ্ৰ তৈয়াৰ কৰি তাত দৰকাৰী প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থাৰ কথা চৰকাৰে সোনকালে চিন্তা কৰিব নে ?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী) :— এই বিষয়ে চিন্তা কৰা নিশ্চয় হ'ব।

শ্ৰীগোবিন্দ বৰা :— মহোদয়, বৰ্তমান যিবিলাক প্ৰচেষ্টা হাতত লৈছে সেই বিলাকত অতিকৈ পিচ পৰা অঞ্চলত যিবিলাক গাওঁ আছে, যিহেতু সেই অঞ্চল বিলাকৰ ডেকা লৰা বিলাক নিবনুৱা হৈয়ে আছে সেই লৰা বিলাকক উপযুক্ত প্ৰশিক্ষণ দি সেই বিলাক কামত লবৰ ব্যৱস্থা কৰিব নে ?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী) :— বৰ্তমানে এই বিষয়ে আমাৰ আৰু এটা প্ৰপোজেল আছে, সেইটো ফাইনেল হলে এই সকলো বিলাক ব্যৱস্থাই কৰা হব।

শ্ৰীকেহোৰাম হাজৰিকা :— বৰ্তমানে যিবিলাক প্ৰশিক্ষণ কেন্দ্ৰৰ হিচাপ সদনত দাখিল কৰিছে তাৰ ভিতৰত ভকেচনেল প্ৰশিক্ষণ কেন্দ্ৰ বিলাকৰ হিচাব দিয়া হোৱা নাই। চৰকাৰে এই ভকেচনেল ট্ৰেইনিং বিলাকৰ হিচাব নিদিয়াৰ কাৰণ এইটোৱে নেকি যে এই ট্ৰেইনিং কেন্দ্ৰ বিলাকত সাহায্যও দিয়া নহয়। তেওঁলোকক সাহায্য দিয়াৰ ব্যৱস্থা আছে নে নাই চৰকাৰে জনাব নে ?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী) :— এই শ্ৰেণীৰ প্ৰশিক্ষণ কেন্দ্ৰবোৰ পৃথক আঁচনি ভুক্ত। এইবিলাক আই, টি, আই, প্ৰশিক্ষণ কেন্দ্ৰৰ হিচাব দিওঁতেই দিয়া হৈছে আৰু আমাৰ ডিৰেক্টৰেটৰ বেলেগ এটা স্কীমৰ পৰা সেই বিলাকক সাহায্য দিয়াৰ ব্যৱস্থা আছে।

শ্ৰীজগদীশ দাস :— বৰ্তমান প্ৰশ্নোত্তৰত যি ২, ২৩৮ জন প্ৰশিক্ষাৰ্থীৰ কথা উল্লেখ কৰিছে, সেই সকল কোন কোন গ্ৰেডৰ জনাব নে ? কাৰণ বৰ্তমান দেখা গৈছে যে যি বিলাক গ্ৰেডৰ প্ৰশিক্ষণ প্ৰাপ্ত লোকৰ আৱশ্যক তেনে গ্ৰেডৰ প্ৰশিক্ষাৰ্থী বিৰল। এতিয়া নগাওঁৰে প্ৰশিক্ষণ কেন্দ্ৰত উপযুক্ত গ্ৰেডৰ ছাত্ৰৰ অভাৱত বেছিভাগ প্ৰশিক্ষকে বহি আছে। আনহাতে প্ৰশিক্ষণ পোৱা স্বত্বেও হয়তো উদ্যোগত উক্ত প্ৰশিক্ষণ প্ৰাপ্ত লোকৰ নিয়োগৰ স্থল নাই। গতিকে আমাৰ প্ৰশিক্ষণ বিদ্যালয়ত পাঠ্যক্ৰমৰ সাল-সলনি আৱশ্যক মতে ঘটোৱাটো নিত্যান্ত প্ৰয়োজন হৈ পৰিছে। এই মৰ্মে চৰকাৰে বিবেচনা কৰিব নে ?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী) :—এই বিলাক ডিমাণ্ড অনুসাৰে, সাধ্যানুসাৰে বিবেচনা কৰা হৈছে।

শ্ৰীঅতুল শইকীয়া :— মহোদয়, মই জনাত কিছুমান প্ৰশিক্ষণ কেন্দ্ৰত এই প্লাম্বাৰৰ প্ৰশিক্ষণৰ ব্যৱস্থাই হয়তো নাই অথচ উদ্যোগত প্ৰশিক্ষণৰ পদ বহুতো খালি আছে। গতিকে যি ঠাইত যি ধৰণৰ প্ৰয়োজন তাত সেই মতে প্ৰশিক্ষণৰ ব্যৱস্থা কৰি থলুৱা লোকৰ দ্বাৰা এই পদবিলাক পূৰণ কৰিব নে ?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী) ঃ— আমাৰ প্ৰাস্বাৰৰ আঁচনি আছে আৰু য'ত প্ৰয়োজন নাই তাত সেই মতে সলনি কৰিম।

## বি ঃ ধাত্ৰী শিক্ষাৰ ব্যৱস্থা

শ্ৰীলক্ষীকান্ত শইকীয়া সুধিছে ঃ

★১৬৯। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ধাত্ৰী সকলৰ শিক্ষাৰ বাবে অসমত কি ব্যৱস্থা আছে ?

(খ) অসমত বৰ্ত্তমান সম্পূৰ্ণ শিক্ষা প্ৰাপ্ত কিমান গৰাকী ধাত্ৰী আছে ?

(গ) অসমত বৰ্ত্তমান থকা চিকিৎসালয় বোৰত কিমান গৰাকী ধাত্ৰীৰ আৱশ্যক আৰু বৰ্ত্তমান থকা ধাত্ৰীৰে সেই চাহিদা পূৰণ হয়নে ?

(ঘ) যদি নহয়, উপযুক্ত শিক্ষা দি চাহিদা পূৰণ কৰিবলৈ চতুৰ্থ যোজনাৰ কালছোৱাত কি আঁচনি লোৱা হৈছে ?

ডাঃ সুৰেন্দ্ৰ নাথ দাস (স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১৬৯। (ক)- এ, এন, এম ধাত্ৰী শিক্ষাৰ বাবে অসমত ৮ খন হস্পিতালত মুঠ ১০০ গৰাকী শিক্ষাৰ্থীনীক ভৰ্ত্তি কৰাৰ ব্যৱস্থা আছে। তাৰোপৰি ৬ খন প্ৰশিক্ষণ কেন্দ্ৰত বছৰি প্ৰায় ১১০ গৰাকী জি, এন, এম ধাত্ৰীক শিক্ষাৰ বাবে ভৰ্ত্তি কৰা হয়।

(খ)- ৰাজ্য চৰকাৰৰ অধীনত বৰ্ত্তমান ৬৮৪ গৰাকী জি, এন, এম ধাত্ৰী আৰু ১৪২২ গৰাকী এ, এন, এম ধাত্ৰী কাম কৰি আছে।

(গ)- অসমত থকা বৰ্ত্তমান চিকিৎসালয়বোৰৰ বাবে ৭৩৩ গৰাকী জি, এন, এম ধাত্ৰী আৰু ১৪২৯ গৰাকী এ, এন, এম ধাত্ৰীৰ আৱশ্যক আৰু বৰ্ত্তমান প্ৰশিক্ষণ কেন্দ্ৰৰ পৰা শিক্ষাপ্ৰাপ্ত হৈ ওলোৱা ধাত্ৰীৰে সেই চাহিদা পূৰণ হব বুলি আশা কৰা হৈছে।

(ঘ)- প্ৰশ্ন নুঠে।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া :— অধ্যক্ষ মহোদয়, যি সকল ধাত্ৰীক প্ৰশিক্ষণ দিয়া হয় সেইসকলক প্ৰশিক্ষণ কালচোৱাত কি কি সুবিধা দিয়া হয় ?

ডঃ সুৰেন্দ্ৰ নাথ দাস (মন্ত্ৰী) :— তেওঁলোকক এটা মাহিলি ভাট্টা দিয়া হয়।

শ্ৰীলক্ষ্মী কান্ত শইকীয়া :— কিমান ভাট্টা দিয়া হয় ? মই জনাত এই ভাট্টাৰ পৰিমাণ অতি নগন্য। আৰু এইখিনিও সময় মতে নোপোৱাৰ ফলত এনেকৈ তেওঁলোক হোষ্টেলত থাকিবলৈকো অসমৰ্থ হয়। এইটো নগন্য বুলি চৰকাৰে নাভাবে নে ?

ডঃ সুৰেন্দ্ৰ নাথ দাস (মন্ত্ৰী) :— বৰ্তমানে যিখিনি ভাট্টা দিয়া হৈছে সেই-খিনি নগন্য বুলি মইও স্বীকাৰ কৰো।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী :— ডিব্ৰুগড় মেডিকেল কলেজত এ, এন, এম ধাত্ৰী নিয়োগ কৰাৰ ব্যৱস্থা কৰিছে নে ? যদি কৰিছে তেন্তে তেনে গ্ৰেডৰে ধাত্ৰী এজনীক চাকৰীৰ পৰা নাকচ কৰা কথাটো সঁচা নে ?

ডঃ সুৰেন্দ্ৰ নাথ দাস (মন্ত্ৰী) :— এইটো এটা বেলেগ প্ৰশ্ন। ইয়াৰ কাৰণে বেলেগ নোটিচ লাগিব।

Mr. Speaker :— Q. No 170 remained pending as the Question hour is over now item No. 2

Undisposed Stared. question dated 26-2-76

**Re : Janata Bhavan**

Shri BALABHADRA DAS asked :

★170. Will the Chief Minister be pleased to state—

(a) When the Janata Bhavan was formally opened and the date from which offices are functioning regularly there ?

(b) Whether there is any fixed time for attendance c the Ministers, the Ministers of State and the Deput Minister in the Janata Bhavan and if so, what i the fixed time ?

(c) How many days in a month the Ministers, the Ministers of State and the Deputy Minister are supposed to be present in the Janata Bhavan ?

(d) Whether any chart is maintained for recording th attendance of the Ministers, the Ministers of Stat and the Deputy Minister ?

(e) If so, a copy of the chart duly certified by a competent authority, may be furnished ?

Shri SHARAT CHANDRA SINHA (Chief Minister) replied :

170. (a)- On 19th November, 1975

(b)- A Schedule of the wor king hours covering the period from 8 a. m. to 8-30 p. m. has been fixed.

(c)- According to their own arrangements the Minister are expected to be present 200 hours in a month.

(d)- It is maintained by the Ministers themselves to see how it can fit in with, and regulate, the tour that the Ministers are to under take at the requests of the different organisations & institution.

(e)- It is not necessary.

**Re : Working hours of Ministers**

Shri MAL CHANDRA PEGU asked :

★171. Will the Chief Minister be pleased to state—

(a) Total hours of work to be performed by a Minister per day ?

(b) Time of offiice hours of the Ministers ?

(c) Whether timings for attending the office and leaving the office have been fixed ?

(d) If so, Whether all the Ministers adhere to that timing ?

(e) Whetner any tim:ng for interview with the public by the Minsters has been fixed ?

(f) If so, whether the venue of public interview has been also fixed ?

Shri SARAT CHANDRA SINHA ( Chief Minster ) replied :

171. (a) Ministers are expected to work throughout the day.

(b) Officially Janata Bhawan opens at 6–30 A.M and closes at 9·00 P M, but in practice, the Janata Bhawan functions till 10·00 P M. A schedule of working hours for the Ministers covering the period from 8 A.M to 8·30 P.M has been fixed.

(c)- Yes.

(d)- Subject to other important works which requires his presence elsewhere.

(e)- Yes.

(f)- Yes.

## MATTER UNDER RULE 301

শ্ৰীসোণেশ্বৰ বৰা :— মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নং নিয়ম অনুসৰি ৰাজ্য খনৰ এটা অতি আৱশ্যকীয় আৰু জনস্বাৰ্থৰ অতি জৰুৰী বিষয় সদনত আলোচনা হবৰ অৰ্থে আৰু এটা ব্যৱস্থা আৰু উত্তৰৰ অৰ্থে উত্থাপন কৰিলো। বিষয়টো যোৱা ১২-২-৭৬ তাৰিখে প্ৰকাশিত দৈনিক অসম বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাত প্ৰকাশ পাইছে । প্ৰকাশিত বাতৰিটোৰ শিৰোণামা এই 'বাচ আটক কৰি ডকাইতৰ লুটপাট'। উক্ত শিৰোণামাৰ বাতৰিটোৱে বাচ সেৱা আৰু জনসাধাৰণৰ নিৰাপত্তাৰ প্ৰতি এক প্ৰত্যাহ্বানৰ সন্দেহ হৈ যোৱা ঘটনাই জনসাধাৰণৰ মাজত এটা চাঞ্চল্যৰ সৃষ্টি কৰিছে। এই অঞ্চলটো যোৰহাট মহকুমাত তিতাবৰ মৰিয়নি আৰতা আৰু গোলাঘাট শিৱসাগৰ মাজখিনিত যাত্ৰী সকলক আটক কৰি বাচ কণ্ডাক্টৰ আৰু ড্ৰাইভাৰক মাৰপিট কৰি দিন দুপৰত যাত্ৰী সকলক ডকাইতি কৰিছে। এই খিনি যাত্ৰীয়েই নহয় সমীপস্থ অঞ্চলত এই বাতৰিয়ে ৰাইজৰ মাজত চাঞ্চল্যৰ সৃষ্টি কৰিছে। এই ঘটনাৰ পূৰ্বে এই অঞ্চলত ৰাজ্যিক পথ পৰিবহনৰ বাচ এখন আজি কিছু দিন আগতে জলা ই দি দুৰ্ঘটনা ঘটাইছে । সেই অঞ্চলত হৈ থকা বা সংঘটিত হৈ থকা এনে ধৰণৰ ডকাইতি চুৰি আদি নানা ঘটনাৰ ই এটা তদানুৰূপ ঘটনা। ৰাতি ডকাইতি কৰাৰ ওপৰিও দিনত এনেধৰণৰ ডকাইতি হবলৈ ধৰাটোত নিৰাপত্তাৰ ফালৰ পৰা এক প্ৰত্যাহ্বান স্বৰূপ হৈ পৰিছে। এই ধৰণৰ ঘটনা যাতে হব নোৱাৰে, বাচ যাত্ৰী সকল যাতে ভবিষ্যতে নিৰাপত্তাৰ সম্মুখীন হব লগা নহয় তাৰ আশু ব্যৱস্থা কামনা কৰিলো। চৰকাৰে যাতে এইখিনি ব্যৱস্থা লব পাৰে সেইখিনি দাবী উত্থাপন কৰি মোৰ এই বিষয়টো উত্থাপন কৰিলো।

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীবৰা ডাঙৰীয়াই উত্থাপন কৰা কথা খিনিৰ ওপৰত মোৰ বক্তব্য হল যোৱা

তিনি ফেব্ৰুৱাৰী তাৰিখে এ, এচ, ডব্লিউ ১৪৫ নং বাচ খনত খৰিকটিয়া বাচ ষ্টেণ্ডৰ ওচৰত টেক্সীত অহা দুৰ্বৃত্তৰ দলে বাচখন ৰাখি কেইজনমান ব্যক্তিক ধৰ্ষণ কৰে। তাৰ পিচত গুচি যায়। এই সম্পৰ্কত বাচৰ মালিক শ্ৰীঅনন্ত হাজৰীকাই মৰিয়নী থানাত গোচৰ দিছে আৰু কেচ ৰেজিষ্টাৰ হৈছে। ইতিমধ্যে যি কেইজন দুৰ্বৃত্তই ঘটনাটো সংঘটিত কৰিছে, তেওলোকক এৰেষ্ট কৰা হৈছে আৰু এই বিষয়টো এতিয়া তদন্তাধীন অৱস্থাত আছে। এই সম্পৰ্কে যাতে ভবিষ্যতে কোনো ঘটনা নহয় তাৰ বিশেষ ব্যৱস্থা ৰাখিবলৈ নিৰ্দ্দেশ দিয়া হৈছে।

শ্ৰীনগেন বৰুৱা :— যি খন টেক্সীৰে আহি দুৰ্বৃত্তই ডকাইতি কৰিলে সেই টেক্সী খন ৰেজিষ্টাৰ্ড টেক্সী হয় নে নহয় আৰু তাৰ মালিক কোন? ডকাইত কেইজনৰ নাম কি আৰু তেওলোক আগতে কোনো কেচত জৰিত লোক হয় নে নহয়?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী) :— টেক্সীত যোৱা সংক্ৰান্তত ৭ জনক গ্ৰেপ্তাৰ কৰা হৈছে তেওলোকৰ বিৰুদ্ধে আগতে কেচ আছে। টেক্সী খনৰ মালিক শ্ৰীৰবিন ফুকন। মোলৈ অহা ৰিপোৰ্ট মতে টেক্সীৰ মালিক সিদিনা টেক্সীত নাছিল। ড্ৰাইভাৰ আছিল আৰু এৰেষ্ট কৰা হৈছে।

শ্ৰীনগেন বৰুৱা :— ডকাইত কেইজন কোন?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী) :— শ্ৰীদীনেশ বৰা, লুথু দত্ত, ভুপেন বৰা, ৰবিকুল হুচেইন, সোমেশ্বৰ বৰা ড্ৰাইভাৰ, ডিম্বেশ্বৰ বৰা, আৰু ৰফিকুল ৰহমান।

শ্ৰীনগেন বৰুৱা :— আটক হৈ আছে নে জামিনত দিছে?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী) :— ৫ জন জামিনত আছে আৰু দুজন আটক হৈ আছে।

## EXTENSION OF TIME FOR SUBMISSION OF THE REPORT OF THE COMMITTEE OF PRIVILEGE.

SHRI GOLOK RAJBANSHI : Sir, I beg to move that the House do agree to the extension of time for Submision of the report of the committee of privileges relating to the complaint of breach of privilege against Shri Dulal Chandra Barua, M. L. A. by Shri Bishnu Prasad Minister of State, F. C. and I etc. till 31st May, 1976.'

শ্ৰীসোণেশ্বৰ বৰা :— অধ্যক্ষ মহোদয়, ৰিপোৰ্ট দাখিলৰ কেবাবাৰো সময় দি আছে । ইয়াৰ কাৰণ কি ?

শ্ৰীগোলক চন্দ্ৰ ৰাজবংশী :— যি জনৰ বিৰুদ্ধে কৰিছিল, তেওঁৰ ব্যক্তিগত এটেনডেন্স লাগে । তেওঁ বৰ্তমান মিছাত আটক হৈ আছে । এদিন আহিছিল, কিন্তু শাৰীৰিক আৰু মানসিক ঠিক নহয় বুলি কোৱাত, এতিয়া সেই কাৰণে সময় দিব লগা হৈছে ।

Mr. Speaker :— That Motion is moved that the house do agree to the extension of time for submission of the report of the Committee of privileges relating to the complaint of breach of privilege against Shri-Dulal Chandra Barua, M. L. A. by Shri Bishnu Prasad, Minister of State, F. C. and I etc. till 31st May, 1976.

( The Motion is passed. )

Shri Golak Rajbanshi :— Sir, I beg to move that the

House do agree to the extension of time for submission of the report of the committee of privileges relaing to the complaint of breach of privilege again Shri Dulal Chandra Barua, M. L. A. by Shri Harend Nath Talukdar, Minister of Education, Assam till 31 May, 1976.

Mr. speaker :— The Motion is that the House do agr to the extension of time for submission of the Repc of the Committee of Privileges relating to the comp aint of breach of Privilege against Shri Dulal Chand Barua, M. L. A. by Shri Harendra Nath Talukd: Minister of Education, Assam till 31st May, 1976.

( The Motion is passed. )

## MOTION FOR ELECTION OF MEMBERS GAUHA UNIVERSITY COURT

SHRI SARAT CHANDRA SINHA ( Chief Minister ) : Sir beg to move that this Assembly proceed hereby to el 2 more members of the Assam Legislative Assembly frc amongst themselves to be the members of the Gauh University Court under Section 9 (i) (xxii) of the Gauh University Act, 1947 ( as amended till date ). The vaca cies have arisen due to increase of two more membe of this assembly in the Gauhati University Court as p Gauhati University ( Amendment ) Act, 1973."

r. SPEAKER : I Put the question "that this Assembly proceed hereby to elect two more members of the Assam Legislative Assembly from amongst themselves to be the members of the Gauhati University Court under Sec 9 (i) (xxii) of the Gauhati University Act, 1947 (as amended till date). The vacancies have arisen due to increase of two more members of this Assembly in the Gauhati University Court as per Gauhati Uuiversity (Amendment) Act, 1973.

The motion is passed

The Secretary will notify the date, time and place for holding the election if necessary.

IRI SARAT CHANDRA SINHA ( Chief Minister ) :— Sir, I beg to move that this Assembly proceed hereby to elect two more members of the Assam Legislative Assembly from amongst themselves to be the members of the Dibrugarh University Court under Section 15 (1) (xvi) of the Dibrugarh University Act, 1965. ( as amended till date ). The vacancies have arisen due to increase of two more Court as per Dibrugarh University ( Amendment) Act, 1975."

Ir. SPEAKER : I put the question that "this Assembly proceed hereby to elect two more members of the

Assam Lagislative Assembly from am ongst themselves to be the members of the Dibrugarh University Court under Section 15 (i) (xvi) of the Dibrugarh University Act, 1965 ( as amended till date ). The vacancies have arisen due to increase of two more members of this Assembly in the Dibrugarh University Court as per Dibrugarh University ( Amendment ) Act, 1975.

The motion is passed. The Secretary will notify the date, time and place for holding the election if necessary.

## REPORT OF THE RULES COMMITTEE

SHRI SYED AHMED ALI (Minister) :— Sir, I beg to move "that the House do agree to the final Report of the Rules Committee laid on the Table of the House on 23rd February, 1976."

Mr. Speaker :— The motion is that "the House do agree to the final report of the rules committee laid on the table of the house on 23rd February 1976".

The motion is passed

## THE ASSAM RURAL INDEBTEDNESS RELIEF (AMENDMENT) BILL 1976

SHRI GAJEN TANTI ( Minister ) Sir, I beg leave to withdraw the Assam Rural Indebtedness Relief ( Amendment ) Bill, 1976 introduced on 17.2.76.

শ্ৰীসোণেশ্বৰ বৰা :— অধ্যক্ষ মহোদয়, মোৰ এটা কথা আছে। আমাৰ অসম বিধান সভাৰ কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৯২ নং নিয়ম অনুসৰি এজন বিভাগীয় মন্ত্ৰীয়ে বিল এখন যদি উঠাই লব লগা হয় তেন্তে সেই সম্পৰ্কে ৯২ ধাৰাৰ (এ), (বি), (চি) ত দিয়া বিধি বিধান মতে দায়িত্বপূৰ্ণ মন্ত্ৰী গৰাকীয়ে সেই সম্পৰ্কে জনাব লাগে। এতিয়া জনাবনে কি ?

SHRI GAJEN TANTI ( Minister ) :— Rule 92 reads, "The member in-charge of a Bill may at any stage of the Bill move for leave to withdraw the Bill on the ground that—

a. The legislative proposal contained in the bill is to be dropped ; or

b. The Bill is to be replaced subsequently by a new bill which substantially alters the provisions contained therein, or

c. The Bill is to be replaced subsequently by another bill which includes all or any of its provisions in addition to other Provisions ;

শ্ৰীগজেন তাঁতি :— ১৭৷২৷৭৬ তাৰিখে সদনত মই দাখিল কৰিছিলো। এই বিলখনৰ আৰু কেইটামান নতুন সংশোধনীৰ প্ৰয়োজন আছে, সেই কাৰণে ৰিপ্লেচ কৰি দিয়া হব। এইখন পুণৰ আহিব আৰু সেইকাৰণে উঠাই লোৱা হল।

SHRI BADAN TALUKDAR :— A point of order is raised under Section 92 of the Rules of Procedure.

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :— অধ্যক্ষ মহোদয়, কিয় উঠাই লোৱা হল জনাব লাগে।

শ্ৰীগজেন তাঁতি (মন্ত্ৰী) :— সেই বিষয়ে এইমাত্ৰ কলো।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :— অধ্যক্ষ মহোদয়, তেখেতে যেতিয়া মুভ কৰিলে তেতিয়া উঠাই লোৱাৰ সময়ত কি কাৰণে লোৱা হল কব লাগিছিল।

মিঃ স্পীকাৰ :— তেখেতে এইখন উঠাই লম বুলি মোলৈ অৰ্থাত স্পীকাৰলৈ লিখিছিল তেতিয়া মই অনুমতি দিলো Subject to the leave granted by the House ৰুলচ স্থাপন কৰিছে, এতিয়া সদনৰ জ্ঞাতাৰ্থে জনাইছে আৰু উঠাই লবৰ কাৰণে অনুৰোধ কৰিব।

SHRI SYED AHMED ALI (Minister) :— Under rule 92 it is very clear. he has already given explanations.

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :— অধ্যক্ষ মহোদয়, ৰুল (এ), (বি) আৰু (চি) আছে, ইয়াৰ কোনটো মতে আনিব খুজিছে ?

শ্ৰীগজেন তাঁতি ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, ( চি ) মতে ।

SHRI NAGEN BARUA :— Sir, If a motion for leave to withdraw a Bill is opposed the Speaker may, if he thinks fit, permit the member who moves and member who opposes the motion to make brief explanatory statements and may thereafter, without further debate, put the question.

শ্ৰীগজেন তাঁতি :— এক্সপ্লেনেটৰি নোট দিয়া হৈছে ।

Mr. SPEAKER :— Has the Minister leave of the House to withdraw the Bill ?

( Voices– Yes,yes. )

Shri Gajen Tanti ( Minister ) :— Sir, I beg to withdraw the Assam Rural Indebtedness Relief ( Amendment ) Bill, 1976 introduced on 17.2.76.

Mr. SPEAKER : The Bill has been withdrawn.

## DISCUSSION UNDER RULE 49

SHRI MAL CHANDRA PEGU :— Sir, I beg to raise a discussion under Rule 49 of the Rules, of Procedure

and Conduct of Business in Assam Legislative Assembly on a matter arising out of an answer to St. Q. No. 98 asked by me on 19th February, 1976 regarding "Scheme under Integrated Tribal Development Plan". Sir, in reply to Q. 98 (d) the Minister has given the Scheme-wise break-up of Rs. 20 lakhs for the two Subdivisions as follows :—

| | Kokrajhar Subdivision | Dhemaji Subdivision. |
|---|---|---|
| 1. Agriculture scheme. | Rs. 4.92 lakhs | Rs. 2.46 lakhs. |
| 2. Soil Conservation | Rs. 4.12 lakhs | Rs. 1.00 lakhs |
| 3. Irrigation Scheme. | Rs. 3.00 lakhs | Rs. 2.00 lakhs. |
| 4. Co-operation Scheme | Rs. 1.25 lakhs | Rs. 1.25 lakhs. |
| Total | Rs. 13.29 lakhs | Rs. 6.71 lakhs. |

Sir, I had put the question to know about the schemes, but the Minister has simply mentioned about the heads. These are all 'Heads' and not 'schemes'. Under head Agriculture Rs. 4.92 has been spent, but the names of the schemes have not been mentioned. In respect of other schemes also names of the schemes have not been furnished. Sir, unless there are schemes how can money be spent

So Sir, I want a clearification as to how the amount was spent and when and how the schemes were drawn up. So far as I know, in some places tractors were given to certain people who actually do not deserve these, and to those who are not cultivators. Those who are not cultivators they are said, to have been given some tractors, for example Sir, one Mukta Ram Brahma, Rupnath Brahma, Kameswar Brahma Professor of Gosaigaon College, Ramesh Chandra Brahma, Executive Councillor of the Kokrajhar Mohkuma parishad are not cultivators; they live in urban areas and are well-to-do persons. So what is the necessity of giving financial aid under head 'Agriculture' to these persons instead of poor cultivators for purchase of tractors. So Sir, I want to know on whose recommendations these persons were given financial aid for purchase of tractors under the scheme, So also in respect of Dhemaji also, still now I do not know whether any execution of work has been done under the specific scheme. So I request the hon'ble Minister to clearify.

## DISCUSSION UNDER RULE 49

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী) :— মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ অসমত ২য় পঞ্চম পৰিকল্পনাৰ পৰা সাতটা জনজাতীয় উন্নয়ণ খণ্ড চলি আহিছে। কোকৰাঝাৰ মহকুমাত দতমা আৰু ববা বজাৰ উন্নয়ণ খণ্ড, গোৱালপাৰাত দুখনৈ জনজাতি উন্নয়ণ খণ্ড, মঙ্গলদৈত ওদালগুৰি জনজাতি

উন্নয়ণ খণ্ড, গুৱাহাটী মহকুমাত বকো, বনগাওঁ আৰু সোনাপুৰ উন্নয়ণ খণ্ড আৰু ধেমাজীত মোকক চেলেং জনজাতি উন্নয়ণ খণ্ড । শতকৰা ৪০ ভাগ জনজাতীয় অধ্যুষিত লোকক লৈ এই জনজাতি উন্নয়ন খণ্ডবোৰ গঠিত হৈছিল আৰু এই জনজাতি উন্নয়ণ খণ্ডবোৰৰ আৰ্থিক উন্নয়ণৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে টকা বৰাদ্দ কৰি দিছিল আৰু সেই টকা চতুৰ্থ পঞ্চবাৰ্ষিক পৰিকল্পনালৈকে চলি আছিল । চতুৰ্থ পঞ্চ বাৰ্ষিক পৰিকল্পনা শেষ হোৱাৰ পিছত পঞ্চম বাৰ্ষিক পৰিকল্পনা আৰম্ভ হোৱাৰ লগে লগে কেন্দ্ৰীয়চৰকাৰে এই উন্নয়ণ খণ্ড বোৰৰ নাম পৰিবৰ্ত্তন কৰি 'ইন্টি্ৰ-গ্ৰেটড ট্ৰাইবেল ডেভেলপমেন্ট প্ৰজেক্ট' কৰাৰ কাৰণে আচনি গ্ৰহণ কৰিলে আৰু পঞ্চম বাৰ্ষিক পৰিকল্পনাৰ প্ৰথম বছৰতে আমাৰ অসমতে দুটা জনজাতি উন্নয়ণ খণ্ড নতুনকৈ নামাকৰণ কৰা হল কেন্দ্ৰীয় চৰকাৰে কোৱামতেই । সেই অনুসৰিয়েই এই সাতটা উন্নয়ণ খণ্ডৰ ভিতৰত কোকৰাঝাৰ আৰু মোককচেলেং এই দুটা উন্নয়ন খণ্ডতেই জনজাতিৰ সংখ্যা বেছি । এই 'ইন্টি্ৰগ্ৰেটেড ট্ৰাইবেল ডেভেলপমেন্ট প্ৰজেক্টৰ' মাধ্যমত আগত ব্লকত যি বিলাক আঁচনি গ্ৰহণ কৰা হৈছিল সেই আঁচ-নিবোৰ সম্পুৰ্ণ কৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে এড্ হক ২০ লাখ টকা এই আঁচনিবোৰৰ কাৰণে বৰাদ্দ কৰিছিল । কোকৰাঝাৰ মহকুমাত কৃষি আঁচনিত ৪·৯২ লাখ টকা আৰু ধেমাজীত ২·৪৬ লাখ টকা, চইল কন্জাৰভেচন'ত কোকৰাঝাৰ মহকুমাত ৪·১২ লাখ আৰু ধেমাজীত ১·০০ লাখ, জলসিঞ্চন আচনিত কোকৰাঝাৰ মহকুমাত ৩·০০ লাখ আৰু ধেমাজী মহকুমাত ২·০০ লাখ টকা, কো-অপাৰেচন আচ-নিত কোকৰাঝাৰ মহকুমাত ১·২৫ লাখ টকা আৰু ধেমাজী মহকুমাত ১·২৫ লাখ টকা । মুঠ কোকৰাঝাৰ মহকুমাত ১৩·২৯ লাখ টকা আৰু ধেমাজীত ৬·৭১ লাখ টকা । এই পৰিবৰ্ত্তন ব্লকৰ পৰা প্ৰজেক্ট পৰ্য্যা-য়লৈ পৰ্য্যায়ক্ৰমে লোৱাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে সিদ্ধান্ত লৈছিল আৰু সেই অনুসৰিয়েই ১৯৭৫-৭৬ চনত অসমত যি চাৰিটা ব্লক থাকিল তাৰ কাৰণে বিশেষ টকা বৰাদ্দ কৰি দিয়া হৈছিল । তাৰোপৰি, জন-

জাতি উপদেষ্টা পৰিষদৰ পৰামৰ্শ অনুযায়ী যিহেতু এই উন্নয়ণ খণ্ডবোৰক চৰকাৰৰ ফালৰপৰা যি অনুদান দিয়া হৈছিল গোটেই জনজাতীয় অঞ্চলবোৰ, সামৰি লবনোৱাৰাৰ কাৰণেই এই ব্লকটো সৰু কৰিবৰ কাৰণে ৰাজ্যিক চৰকাৰৰ ফালৰ পৰা কেন্দ্ৰীয় চৰকাৰক অনুৰোধ কৰা হৈছিল। লগতে 'হিলছ'ৰ নিছিনাকৈ 'চাব্‌প্লেন' কৰিবলৈকো কেন্দ্ৰীয় চৰকাৰক অনুৰোধ কৰা হৈছিল। তথাপিও গোটেই অসমতে সিচৰিত হৈ থকা জনজাতিৰ লোক সকলক সামৰি লব নোৱাৰাৰ কাৰণেই ব্লক বিলাক সৰু সৰু কৰাৰ কাৰণে 'এডভাইজৰি কাউঞ্চিলে' পৰামৰ্শ আগবঢ়াইছিল। সেই পৰামৰ্শ অনুসৰিয়েই গোটেই অসমতে কিছুমান অঞ্চলক লৈ ২১ টা সৰু সৰু ব্লক গঠন কৰি দিয়া হৈছে আৰু এই ২১টা ব্লকক লৈয়েই 'চাব্‌-প্লেন গঠন কৰাৰ ব্যৱস্থা কৰা হৈছে। মাননীয় উপাধ্যক্ষ মহোদয়, এই চাব্‌প্লেনৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ চূড়ান্ত সিদ্ধান্ত হোৱা নাই। অহা কালিলৈ এই বিষয়ে আলোচনা হব। আমি আশা ৰাখিছো এই বিষয়ে অহা কালিলৈ এটা চূড়ান্ত সিদ্ধান্তত উপনিত হব। এই ২১ টা ট্ৰাইবেল ডেভেলপমেণ্ট ব্লক গঠিত হলেও অসমৰ সকলো বিলাক জনজাতিকেই সামৰিব পৰা নেযাব। তাৰ ভিতৰতে কিছুলোক বাদ পৰিব। হলেও সেই সকলকো কেনেকৈ সামৰিব পাৰি আৰু পিছপৰা চেক্টৰৰ পৰা সহায় কৰিব পাৰি তাৰ ব্যৱস্থা নিশ্চয় লোৱা হব। ১৯৭৪-৭৫ চনত কেন্দ্ৰীয় চৰকাৰৰ পৰা যিখিনি ২০ লাখ টকা পোৱা গল সেই বিষয়ে আলোচনা কৰিলো আৰু কত কেনেকৈ আচনিকৰি খৰছ কৰিলে ভাল হব সেইটোৰ কাৰনেও ব্যৱস্থা গ্ৰহণ কৰিছোঁ। সেইমতেই সেই বিলাক-কাৰ্য্যকৰীকৰণৰ ক্ষেত্ৰতো আগবঢ়া হৈছে।

চইল কন্‌জাৰভেচনত কোকৰাঝাৰ মহকুমাত মুঠতে চাৰি লাখ বিৰান্নৈব্ব হাজাৰ টকা বৰাদ্দ কৰা হৈছে। ইয়াৰ ভিতৰত কণ্টুৰ বাইডিং আছিল উনচল্লিশ হাজাৰ তিনিশ ত্ৰিশ টকা এইটো খৰচ কৰিছে আৰু আচনি ক'ত ক'ত লৈছে মই গাই দিব বিচাৰিছো। কুঠাইবাৰী, শালমাৰী, দৈচনদী, ডাবুবিল, আওলাগুৰি, সিম্বৰ গাওঁ, বাগমাৰা, গিলাঝাৰ, খৰগাওঁ, আৰু শালমাৰী, এই বিলাক ঠাইত কণ্টুৰ বাইণ্ডিঙৰ কাম কৰা

হৈছে। আৰু তাৰ পিচত প্ৰটেকটেড এফোৰষ্টেচন সম্পৰ্কত ঝাৰবাৰী, ঔগুৰি, গকুলকাটা, আইনগৰ, আৰু দেওচিৰিত কাম কৰিছে। এই সম্পৰ্কত মুঠতে সাতচল্লিশ হাজাৰ তিনিশ একষষ্টি টকা খৰছ কৰিছে। তাৰ পিচত নতুনকৈ এফোৰষ্টেচন কৰিছে গৰ্জাশালি, গকুলকাটা, আলীনগৰ পাটগাওঁ, ঔগুৰি, দেওচিৰি, শালকোচা আৰু ঝৰবাৰীত। আকৌ গালি কণ্ট্ৰলৰ কাৰণে টুক্ৰাঝৰ, বামুনগাওঁ আৰু নিজলা চেকদামত কাম কৰা হৈছে। এইটো আমাৰ ফালে উল্টাখুণ্ডা বুলি কোৱা হয়। অৰ্থাৎ বিপৰীত ফালৰ পৰা সোঁত আহি মাটিৰ ফাৰ্টিলাইজিং কমাই দিয়ে এই সংক্ৰান্তত তিনিলাখ চোৰাল্লিশ হাজাৰ অঠশ উন্নব্বৈ টকা খৰচকৰিছে। মুঠতে চইল কনজাৰ্ভেচনৰ কাৰণে চাৰি লাখ একত্ৰিশ হাজাৰ পাচশ আশী টকা খৰচ কৰিছে।

মাননীয় উপাধ্যক্ষ :— কিমান দীঘল ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম ( মন্ত্ৰী ) :— আৰু আছে চাৰ। এটা ফিগাৰ মাননীয় সদস্য শ্ৰীপেগু ডাঙৰীয়াই কৈছিল ?

মাননীয় উপাধ্যক্ষ :— সেইটো হাফ এন আৱাৰ ডিচ্‌কাচন হবগৈ।

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী) :— ধেমাজী মহকুমাত কন্টুৰ বাইণ্ডিংৰ কাৰণে বাইশ হাজাৰ নশ বিৰাশী টকা খৰচ কৰা হৈছে। ইয়াৰে ভিতৰত পহুমনি, গিৰিগিৰ পাথৰ, আৰু কুলাজানত কাম কৰা হৈছে। প্ৰটেকটিভ এফোৰ-ষ্টেচনত লোকাবালি, জীয়াঢল আৰু কুমটিয়াত কাম কৰা হৈছে আৰু ইয়াতে আঠসত্তৰ হাজাৰ নশ নিৰান্নব্বৈ টকা খৰচ কৰা হৈছে। ইয়াৰোপৰি প্ৰটেকটেড অব ৰেভিনিউ ল্যাণ্ডৰ কাৰণে চাৰি হাজাৰ টকা গালি নদীৰ কাৰণে খৰচ হৈছে। আকৌ বিল্ডিং আৰু এপ্ৰোশ্চ ৰোডৰ কাৰণে

তেৰ হাজাৰ নশ চৌৰান্নব্বৈ টকা খৰচ কৰা হৈছে। ঠিক সেইদৰে ই.....
স্কীমৰ কথা কৈছো।

( ভইচ : মাজুলীত আছে নে নাই )

মুঠতে ধেমাজীত পোন্ধৰটা চেল' টিউবওৱেল বহুওৱা হৈছে ধেমাজী ব্লকত বৰদলনি, মিৰিগাওঁ, ঢকুৱাখানা ব্লকত খেৰাগুৰি, মিৰিগাওঁ আ বৰদলনি ব্লকত পুৱাল পাৰঘাট এই আটাইবেটা ব্লকৰে প্ৰত্যেকতে পাচটাকৈ মুঠ পোন্ধৰটা চেল' টিউবওৱেল বহুওৱা হৈছে। কোঅপাৰেটিভ চোচাইটি ভিতৰত ধেমাজী মহকুমাত জোনাই সমবায় সমিতিৰ কাৰণে বাৰ হেজা পাচশ, পাচি জোনাই সমবায় সমিতিৰ কাৰণে বাৰ হেজাৰ পাচশ কংকন সমবায় সমিতিৰ কাৰণে বাৰ হেজাৰ পাচশ, মুক্তিয়াৰ সমবায় সমিতিৰ কাৰণে বাৰ হেজাৰ পাচশ, মিং মাং সমবায় সমিতিৰ কাৰণে বা হেজাৰ পাচশ, পূৰ ঢকুৱাখানা সমবায় সমিতিৰ কাৰণে বাৰ হেজা পাচশ, খেৰকাটা সমবায় সমিতিৰ কাৰণে বাৰ হেজাৰ পাচশ আৰু কুলাজান সমবায় সমিতিৰ কাৰণে বাৰ হেজাৰ পাচশ টকা দিয়া হৈছে।

তাৰ পিচত যিটো এগ্ৰিকালচাৰ বিভাগৰ পৰা পাৱাৰটিলাৰ ব স্প্ৰে আদি কৰাৰ কাৰণে আমাৰ যিসকল নিবনুৱা যুৱক আছে সেই সকলৰ দ্বাৰাই কৰাৰ সিদ্ধান্ত কৰা হৈছে। আমাৰ মাননীয় সদস্য শ্ৰীপেগু ডাঙৰীয়াই কেইজনমান মানুহৰ নাম উল্লেখ কৰিছিল। তেওঁ- লোক হ'ল শ্ৰীমুক্তাৰাম ব্ৰহ্ম, শ্ৰীৰমেশ ব্ৰহ্ম আৰু শ্ৰীৰূপনাথ ব্ৰহ্ম। তেখেতে হয়তো নাজানে যে মুক্তাৰাম ব্ৰহ্ম এজন বৰ ভাল খেতিয়ক। গাৱঁতে থাকি খেতি কৰি আছে আৰু বহুবাৰ তেখেতে ভাল খেতিয়ক হিচাবে পুৰস্কাৰ আদিও পাইছে। আই-আৰ-৮ৰ খেতি প্ৰদৰ্শন কৰি তেখেতে পুৰস্কাৰ পাইছিল। আকৌ শ্ৰীৰমেশ ব্ৰহ্মাও গাৱঁতে থাকে, খেতি কৰে। শ্ৰীৰূপনাথ ব্ৰহ্ম আণ্ডাৰ মেট্ৰিক তেওঁ গাৱঁতে থাকি খেতি কৰি খাই আছে। তেওলোকে নিজৰ নামত ট্ৰেক্টৰ লৈ যোৱা নাই। নিবনুৱা

...চাৰ্ভিচ ইউনিট খুলি দিয়া হৈছিল আৰু তেওঁলোকেই এই দায়িত্ব ...ছে। কোকৰাঝাৰ মহকুমাতো সাত খন এই ধৰণৰ যুৱক সকলৰ ...উনিট খুলি দিয়া হৈছে তাৰ নাম কব খুজিছো।

...নীয় উপাধ্যক্ষ :– নালাগে। তেখেতে পইন্টেড কৰা কেইজনৰ কোৱা ...হৈছে নহয়।

...লচন্দ্ৰ পেগু :— মাননীয় মন্ত্ৰী মহোদয়ে এই বিলাক আঁচনিৰ উল্লেখ ...ৰি এই আঁচনি বিলাকত টকা খৰচ হোৱাৰ কথা কলে কিন্তু আচলতে ...ই আঁচনি বিলাক আঁচনি হৈয়েই আছে, ক'তো কাম হোৱা নাই।

...ম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী) :– বিভাগীয় কৰ্তৃপক্ষৰ পৰা পোৱা খবৰ মতে ...াম হৈ আছে।

... Deputy Speaker :— The House stands adjourned till ...CO a. m. tomorrow, 27th February, Friday.

## ADJOURNMENT

The House then rose for the day at 11-39 A. M. and ...od adjournment till 9 A. M. on Friday the 27th ...ruary. 1976.

...ted Dispur
...6-2-76.

P. D. Barua
Secretary
Assam legislative Assembly